## দ্ৰুত পাঠ :

# বৈচিত্ৰ্যময় অসম

---

### [ ( ক ) তিৱাসকল ]

### পাঠভিত্তিক প্ৰশ্নোত্তৰ

প্ৰশ্ন ১। ভাষিক দিশৰ পৰা তিৱাসকল কোনটো ঠালৰ লোক ?

উত্তৰঃ ইন্দো - চীনৰ অন্তৰ্গত তিব্বত বৰ্মীয় ভাষা - গোষ্ঠী পৰিয়ালৰ বৃহত্তৰ 'বড়ো' ঠালৰ লোক ।

প্ৰশ্ন ২। তিৱাসকলে তেওঁলোকৰ উৎসৱ - পাৰ্বণত ব্যৱহাৰ কৰা বিভিন্ন বাদ্যযন্ত্ৰবোৰ কি কি ?

উত্তৰঃ তিৱাসকলে তেওঁলোকৰ উৎসৱ - পাৰ্বণত ব্যৱহাৰ কৰা বিভিন্ন বাদ্যযন্ত্ৰবোৰ হ'ল– খ্ৰাম ( ঢোল ) বাৰ , খ্ৰাম খুজুৰা , গ্ৰাম পান্থাই , দুমদিং , দগৰ , পাতিঢোল আদি চামৰাৰ বাদ্য ) ; বাঁহৰ পাৰেৰে তৈয়াৰী ৱাফাং খ্ৰাম , থকথৰৰক , মুখেৰে ফু দি আঙুলি ব্যৱহাৰ কৰি বজোৱা পাংশী ( বাহী ) , থোৰাং , ম'হৰ শিঙৰ পেপা , সুহুৰি আৰু খায়াং ( তাল ) ইত্যাদি ।

প্ৰশ্ন ৩। তিৱা সমাজত ' জেলা ' বুলি কাক কোৱা হয় ?

উত্তৰঃ তিৱা সমাজত খেলৰ প্ৰশাসনিক আৰু সামাজিক মুৰব্বীজনক ভৈয়ামত 'জেলা ' বুলি কোৱা হয় । আনহাতে পাহাৰ অঞ্চলৰ প্ৰতিটো পৰিয়ালৰ মুৰব্বীকে জেলা বুলি কোৱা হয় ।

প্ৰশ্ন ৪। তিৱা সকলৰ কেইটিমান উৎসৱৰ নাম লিখা ।

উত্তৰঃ জোনবিল মেলা , ৱাণছুৱা , ছগ্ৰা , যাংলী , মুইনাৰী , কণ্ঠী, লাংখন , মাই পথালা , মাইৰাৱা , থাপলাং ৰাৱাণে ফুজা , পান্থাইচ্যৱা , বৰত , গোসাঁই উলিওৱা মেলা , বহাগ বিহু , কাতি বিহু , মাঘ বিহু ইত্যাদি ।

প্ৰশ্ন ৫। ফুলগুৰিৰ ধেৱা কি ?

উত্তৰঃ ফুলগুৰিৰ ধেৱা হ'ল ফুলগুৰিত হোৱা অসমৰ প্ৰথমটো কৃষক বিদ্ৰোহ ।

প্ৰশ্ন ৬। চমুটোকা লিখাঃ

( ক ) ইন্দ্ৰচিং দেউৰী , ( খ ) বলাইৰাম সেনাপতি

উত্তৰঃ ( ক ) ইন্দ্ৰচিং দেউৰী :- তিৱা জনজাতিৰ মাজত জাতীয় চেতনা জাগ্ৰত কৰাৰ ক্ষেত্ৰত আজীৱন সংগ্ৰাম কৰা অন্যতম ব্যক্তি হ'ল-ইন্দ্ৰচিং দেউৰী । তেওঁৰ জন্ম হৈছিল পশ্চিম কাৰ্বি আংলং জিলাৰ ভিতৰুৱা অঞ্চল ৰংখৈপাৰ গাঁৱত ১৯৩২ চনত । মালচিং পোমা আৰু মামা আচিৰ তেওঁ আছিল তৃতীয় পুত্ৰ । ১৯৩৯ চনত কাৰ্বি আংলং জিলাৰ বাউলাগোগ প্ৰাথমিক বিদ্যালয়ত শিক্ষা জীৱন আৰম্ভ কৰি নগাঁও জিলাৰ ডিমৌ ইস্কুলত অষ্টম শ্ৰেণীলৈকে পঢ়িয়েই

অৰ্থৰ অভাৱত শিক্ষা - জীৱন সামৰিব লগা হয় । ১৯৪৯ চনত ৰতীয় বিপ্লৱী কমিউনিষ্ট পাৰ্টীৰ সংস্পৰ্শলৈ আহি পাছলৈ পাৰ্টীত যোগদান কৰি সক্ৰিয়ভাৱে কাম ৰছিল । পাৰ্টীত থকা অৱস্থাত তেওঁ অনুভৱ কৰিছিল তিৱাসকলৰ সামাজিক , ৰাজনৈতিক , অৰ্থনৈতিক আৰু শৈক্ষিক দিশৰ দুৰৱস্থাৰ কথা । কিন্তু ঘৰৰ অৰ্থনৈতিক অৱস্থাৰ তাগিদাত পৰি তেওঁ ১৯৫১ চনত পশুপালন বিভাগৰ চাকৰিত যোগদান কৰে যদিও জাতিটোৰ প্ৰতি থকা দায়িত্ববোধৰ বাবে ১৯৫৩ চনত গাৰো পাহাৰ জিলাৰ তুৰাৰ পৰা চাকৰি ইস্তফা দি পুনৰ তিৱা জাতিক জাগ্ৰত কৰাৰ কামত ব্ৰতী হয় ।

( খ ) বলাইৰাম সেনাপতি :- অসমৰ সাহিত্য - সংস্কৃতি জগতৰ এগৰাকী সু - প্ৰতিষ্ঠিত লেখক , সংস্কৃতিৰ সাধক হ'ল বলাইৰাম সেনাপতি । তেওঁৰ জন্ম ১৯৩১ চনৰ ৩ মাৰ্চত , নগাঁও জিলাৰ বুৰঞ্জীপ্ৰসিদ্ধ বাৰপূজীয়া গাঁৱত । তেওঁৰ পিতাক আছিল বগাৰাম সেনাপতি আৰু মাক পদ্মেশ্বৰী বৰদলৈ । বাৰপূজীয়া এল . পি . আৰু এম . ভি , স্কুলত প্ৰাথমিক শিক্ষা গ্ৰহণ কৰা সেনাপতিয়ে মাধ্যমিক শিক্ষা গ্ৰহণ কৰিছিল নগাঁও গৱৰ্ণমেন্ট হাইস্কুলত । ঘৰুৱা জঞ্জালৰ হেতু হাইস্কুলীয়া শিক্ষা সমাপ্ত নকৰাকৈয়ে ডেকা বয়সত তেওঁ ১৯৫৩ চনৰ পৰা ১৯৬৩ চনলৈ সংযুক্ত উত্তৰ কাছাৰ আৰু মিকিৰ পাহাৰ জিলাৰ বৰথল মধ্য ইংৰাজী বিদ্যালয়ত শিক্ষকতা কৰিছিল । 'মিকিৰ পাহাৰত কি ঘটিছে ' নামৰ ৰামধেনু'ত প্ৰকাশিত প্ৰৱন্ধটো লিখাৰ চৰকাৰী বিষয়াৰ ৰোষত পৰি মাথোন ১০ বছৰ কাল শিক্ষকতা কৰি বৰথল এম . ই . স্কুলৰ প্ৰধান শিক্ষকৰ চাকৰিটো এৰি ঘূৰি আহিবলগীয়া হৈছিল আৰু কৃষিকৰ্মত মনোনিবেশ কৰিছিল ।

## [ ( খ ) দেউৰীসকল ]

### পাঠভিত্তিক প্ৰশ্নোত্তৰ

প্ৰশ্ন ১। দেউৰীসকলৰ আদিম বাসস্থান ক'ত আছিল ?

উত্তৰঃ দেউৰীসকলৰ আদিম বাসস্থান শদিয়া অঞ্চলত আছিল ।

প্ৰশ্ন ২। দেউৰীসকল সামাজিকভাৱে কেইটা আৰু কি কি খেলত বিভক্ত উল্লেখ কৰা ।

উত্তৰঃ দেউৰীসকল সামাজিকভাৱে চাৰিটা খেলত বিভক্ত— ডিবঙীয়া , টেঙাপনীয়া , বৰগঞা আৰু পাটগঞ্চ । ডিবাং নদীৰ পাৰত বাস কৰা সকল ডিবঙীয়া , টেঙাপানী নদীৰ পাৰত বাস কৰা সকল টেঙাপনীয়া , বৰনদীৰ পাৰত থকা সকল বৰগঞা আৰু পাট - শদিয়াত থকা সকল পাটৰগঞা ।

প্ৰশ্ন ৩। শদিয়াৰ পৰা প্ৰব্ৰজন হৈ আহি দেউৰীসকল প্ৰথমতে অসমৰ কোন কেইখন জিলাত বাস কৰিবলৈ লৈছিল ? বৰ্তমান অসমৰ কেইখন জিলাত তেওঁলোক বসবাস কৰি আছে ?

উত্তৰঃ শদিয়াৰ পৰা প্ৰব্ৰজন হৈ আহি দেউৰীসকল প্ৰথমতে অসমৰ তেতিয়াৰ শিৱসাগৰ জিলাৰ মাজুলী আৰু লক্ষীমপুৰ জিলাৰ ডিক্ৰং নদীৰ পাৰত বাস কৰিবলৈ লয় । বৰ্তমান তেওঁলোকৰ সম্প্ৰসাৰণ ঘটি উজনি অসমৰ ৮ খন জিলা , –তিনিচুকীয়া , ডিব্ৰুগড় , শিৱসাগৰ , যোৰহাট , মাজুলী , ধেমাজি , লক্ষীমপুৰ আৰু বিশ্বনাথ জিলাত আছে ।

প্ৰশ্ন ৪। দেউৰী বিলাকে নিজকে কি বুলি চিনাকি দিয়ে ?

উত্তৰঃ দেউৰী বিলাকে নিজকে জিম চতায়া বুলি চিনাকি দিয়ে ।

প্ৰশ্ন ৫। দেউৰী ভাষা তিব্বতবৰ্মী ভাষা গোষ্ঠীৰ কোনটো ভাষা পৰিয়ালৰ অন্তৰ্ভুক্ত ? কোন চনত দেউৰী ভাষাক অসম চৰকাৰে চৰকাৰীভাৱে স্বীকৃতি প্ৰদান কৰে ?

উত্তৰঃ দেউৰী ভাষা মূলতঃ চীন - তিব্বতীয় ভাষা গোষ্ঠীৰ তিব্বতবৰ্মী ভাষা পৰিয়ালৰ বড়ো শাখাৰ অন্তৰ্গত । ২০০৫ চনৰ ২৮ জানুৱাৰী তাৰিখে অসম চৰকাৰে দেউৰী ভাষাক চৰকাৰীভাৱে স্বীকৃতি প্ৰদান কৰে ।

প্ৰশ্ন ৬। দেউৰীসকলে পালন কৰি অহা তেওঁলোকৰ চাৰিটা উৎসৱৰ নাম লিখা ।

উত্তৰঃ দেউৰীসকলে পালন কৰি অহা তেওঁলোকৰ স্বকীয় চাৰিটা উৎসৱৰ নাম হ'ল — কৃষিভিত্তিক উৎসৱ - বিবা বচু , গিবা মেচ্ছু ( বসন্ত আদৰণী উৎসৱ ) , বিহু উৎসৱ চিগাদাগাৰেবা বিচু , বিচু দাবেবা মেছু , মিদি দেবুৰা মেচ্ছু ( ৰাজ কেবাং ) , ধৰ্মৰ লগত জড়িত শাও নিয়া পূজা ।

প্ৰশ্ন ৭৷ দেউৰীসকল কি ধৰ্ম বিশ্বাসী ?

উত্তৰঃ দেউৰীসকল বৰ ধৰ্ম বিশ্বাসী লোক । তেওঁলোক 'কুন্দি' ধৰ্ম বিশ্বাসী ।

প্ৰশ্ন ৮ চমুটোকা লিখা—

( ক ) ভীমবৰ দেউৰী ( খ ) ৰাধাকান্ত দেউৰী ( গ ) বৰ্গৰাম দেউৰী ( ঘ ) শ্ৰীচন্দ্ৰ সিং দেউৰী ।

উত্তৰঃ ( ক ) ভীমবৰ দেউৰী :- ১৯০৩ চনৰ মে ' মাহৰ ১৬ তাৰিখ আৰু অসমীয়া জেঠ মাহৰ ৩ তাৰিখে ভীমবৰ দেউৰীৰ জন্ম হয় । পিতৃৰ নাম গদৰাম ( গদৰা ) দেউৰী মাতৃৰ নাম বাজতী ( বাজং ) দেউৰী আছিল । শিৱসাগৰ জিলাৰ পাণিদিহিং অঞ্চলৰ বৰগগ্ৰা দেউৰী গাঁৱত ( বৰ্তমান উক্ত গাঁওখন ব্ৰহ্মপুত্ৰৰ বুকুত ) পিছত বাম ৰজাবাৰী গাঁৱত স্থায়ী বাসস্থান লয় । পিতৃৰ পূৰ্বৰ বাসস্থান শদিয়াত আছিল বুলি শুনা যায় । ১৯০৮ চনত ৫৭ নং বৰগাঁও প্ৰাথমিক বিদ্যালয়ত শিক্ষা - জীৱন আৰম্ভ হয় । ১৯১৩ চনত প্ৰাথমিক বিদ্যালয়ৰ শিক্ষান্ত পৰীক্ষাত শিৱসাগৰ মহকুমাৰ ভিতৰতেই প্ৰথম স্থান অধিকাৰ কৰি উত্তীৰ্ণ হয় । ১৯১৮ চনত শিৱসাগৰ চৰকাৰী এম . ভি . স্কুলৰ পৰা এম . ভি . পাছ কৰি মাহে চাৰিটকীয়া বৃত্তি অৰ্জন কৰে । ১৯২৫ চনত শিৱসাগৰ চৰকাৰী হাইস্কুলৰ পৰা এণ্ট্ৰেন্স পৰীক্ষাত পাঁচোটা বিষয়ত লেটাৰ নম্বৰসহ উত্তীৰ্ণ হয় ।

( খ ) ৰাধাকান্ত দেউৰী :- স্বৰ্গীয় ৰাধাকান্ত দেউৰীৰ জন্ম হৈছিল ১৯৩১ চনৰ জুন মাহৰ ১ তাৰিখে লক্ষীমপুৰ জিলাৰ বাঁহগড়া দেউৰী গাঁৱত । তেওঁৰ পিতৃৰ নাম আছিল আদিচন দেউৰী আৰু মাতৃৰ নাম তাইবা দেউৰী । পিতৃ - মাতৃৰ একমাত্ৰ পুত্ৰ ৰাধাকান্ত দেউৰীৰ তিনিগৰাকী বায়েক - ভনীয়েক আছিল । সম্পূৰ্ণ গাঁৱলীয়া পৰিৱেশত থাকি ডাঙৰ - দীঘল হোৱা দেউৰীদেৱৰ ঘৰৰ অৱস্থা বিশেষ ভাল নাছিল । দেউতাকৰ অৱস্থাৰ কথা জানি শুনি নামভৰ্তি নকৰোৱাকৈ নিজে লোকৰ পৰা কিতাপ , ফলি খুজি আনি গাঁৱৰ ১১ নং মৰনৈ প্ৰাথমিক বিদ্যালয়ত ১৯৪২ চনত শিক্ষা জীৱন আৰম্ভ কৰিছিল । কষ্টৰ মাজেৰে পঢ়াত মনোযোগ দি সুখ্যাতিৰে মেট্ৰিক পাছ কৰি যোৰহাটৰ জে . বি . কলেজত কলেজীয়া জীৱন আৰম্ভ কৰে আৰু ১৯৫৮ চনত বি . এ . ডিগ্ৰী লাভ কৰে । ১৯৫৯ চনত শিৱসাগৰ চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সহকাৰী শিক্ষক হিচাবে মকৰল হয় । যোৰহাটলৈ আহি বি . টি . পাছ কৰে । ১৯৮৫ চনত তেওঁ শদিয়াৰ চপাখোৱা চৰকাৰী উচ্চতৰ মাধ্যমিক বিদ্যালয়ত সহ - শিক্ষক হিচাবে যোগদান কৰে ।

( গ ) বৰ্গৰাম দেউৰী :- লক্ষীমপুৰ জিলাৰ বিহপুৰীয়া মৌজাৰ বাঁহগড়া দেউৰী গাঁৱৰ নিবাসী বৰ্গৰাম দেউৰীয়ে ১৯৩৮ চনৰ ১ আগষ্ট তাৰিখে জন্ম গ্ৰহণ কৰে । ১৯৪৪ চনত বাঁহগড়া দেউৰী এল . পি . স্কুলত নাম ভৰ্তি কৰে । ১৯৪৯ চনত খ'ৰা এম . ই . স্কুলত শিক্ষা গ্ৰহণ কৰি ১৯৫৯ চনত লক্ষীমপুৰ উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা মেট্ৰিকত প্ৰথম বিভাগত উত্তীৰ্ণ হয় । মেট্ৰিক পাছ কৰি বৰ্গৰাম দেউৰীয়ে যোৰহাট জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ পৰা বি . এচ . চি . পাছ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ত উদ্ভিদবিজ্ঞান বিষয়ত নাম ভৰ্তি কৰে আৰু একে সময়তে গুৱাহাটী বিশ্ববিদ্যালয়ৰ আইন মহাবিদ্যালয়তো অধ্যয়ন কৰে । তেওঁ এম . এচ . চি . আৰু এল . এল . বি . একে সময়তে সুখ্যাতিৰে পাছ কৰি পিচত পঞ্জাৱ বিশ্ববিদ্যালয়ত হোমিওপেথিক শিক্ষা পঢ়িবলৈ যায় আৰু তাতো তেওঁ সুখ্যাতিৰে সোণৰ মেডেল লৈ ডিগ্ৰী লাভ কৰে ।

( ঘ ) শ্ৰীচন্দ্ৰ সিং দেউৰী :- চন্দ্ৰ সিং দেউৰী খেলুৱৈ , লোক - শিল্পী আৰু দেউৰী লেখক হিচাপে জীয়াই আছে । দেউৰী জনগোষ্ঠীৰ মাজত তেওঁৰ এক সুকীয়া পৰিচয় আছে । ১৯২৭ চনৰ ২৮ এপ্ৰিলত গোপাল দেউৰীৰ ঔৰষত আৰু আতবা দেউৰীৰ গৰ্ভত উপৰ দেউৰী গাঁও , যোৰহাটত তেওঁৰ জন্ম হৈছিল । দেউৰী এল . পি . স্কুলৰ পৰা প্ৰাথমিক শিক্ষা সাংকৰি যোৰহাট চৰকাৰী হাইস্কুলত শিক্ষা গ্ৰহণ কৰিছিল যদিও তেওঁ যোৰহাট পলিটেকনিক হাইস্কুলৰ পৰা ১৯৪৯ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষাত সুক্ষাতিৰে উত্তীৰ্ণ হয় । পিচত তেওঁ ১৯৬২ চনত কলা শাখাত নাম লগাই কৰ্মজীৱনৰ মাজতে শ্বিলং কলেজৰ পৰা আই . এ . পৰীক্ষাত উত্তীৰ্ণ হয় ।

১৯৫৫ চনৰ এক অক্টোবৰ তাৰিখে ভাৰত চৰকাৰৰ অধীনৰ অনুসূচিত জাতি আৰু জনজাতি বিভাগৰ তৃতীয় বৰ্গৰ কৰ্মচাৰী হিচাপে যোগদান কৰে আৰু ১৯৮৮ চনৰ ৩১ মাৰ্চ তাৰিখে অধীক্ষক হিচাপে চাকৰি জীৱনৰ পৰা অৱসৰ লয় । ১৯৫৯ চনৰ দিল্লী গণৰাজ্য দিৱসত তেওঁৰ নেতৃত্বত দেউৰী লোক - গীত আৰু লোক-নৃত্য প্ৰদৰ্শন কৰাৰ উপৰিও ১৯৫৯ চনৰ পৰা ১৯৭৫ চনলৈকে আকাশবাণী গুৱাহাটী কেন্দ্ৰত দেউৰী লোক - গীত পৰিবেশন কৰে ।

## [ ( গ ) নেপালী ভাষী গোৰ্খাসকল ]

### পাঠভিত্তিক প্ৰশ্নোত্তৰ

প্ৰশ্ন ১। নেপালী বা গোৰ্খা জনগোষ্ঠীৰ লোকসকল কি কি নৃ - গোষ্ঠীয় লোকৰ সংমিশ্ৰণ ?

উত্তৰঃ নেপালী বা গোৰ্খা জনগোষ্ঠীৰ লোকসকল আৰ্য - মঙ্গোল - কিৰাত নৃ - গোষ্ঠীৰ সংমিশ্ৰণ ।

প্ৰশ্ন ২। 'লাল মোহৰীয়া পাণ্ডা ' বুলি কলে কি বুজা ?

উত্তৰঃ নৰক ৰজাই কামাখ্যা মন্দিৰত পূজা কৰাবলৈ যি বিলাক পূজাৰী নেপালৰ পৰা আনিছিল সেই সকলক পিছলৈ কামাখ্যা মন্দিৰত ‘ লাল মোহৰীয়া পাণ্ডা ’ বুলি খ্যাত হৈছিল ।

প্ৰশ্ন ৩। অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ প্ৰথম সভাপতি গৰাকীৰ নাম লিখা ।

উত্তৰঃ অসম প্ৰদেশ কংগ্ৰেছ কমিটীৰ প্ৰথম সভাপতি গৰাকীৰ নাম হ’ল ছবিলাল উপাধ্যায় ।

প্ৰশ্ন ৪। 'ট্ৰাইবেল বেল্ট এণ্ড ব্লক’ত নেপালী ভাষী লোকসকলে কেতিয়া 'সংৰক্ষিত শ্ৰেণী'ৰ মৰ্যাদা পাইছিল ?

উত্তৰঃ 'ট্ৰাইবেল বেল্ট এণ্ড ব্লক’ত নেপালী ভাষী লোকসকলে গোপীনাথ বৰদলৈৰ মুখ্যমন্ত্ৰীত্বৰ সময়ত ১৯৪৭ চনত 'সংৰক্ষিত শ্ৰেণী'ৰ মৰ্যাদা পাইছিল ।

প্ৰশ্ন ৫। ৰতিকান্ত উপাধ্যায় কোন আছিল আৰু তেওঁ ক'ত ক’ত সত্ৰ স্থাপন কৰিছিল ?

উত্তৰঃ ৰতিকান্ত উপাধ্যায় আছিল নেপালী ব্ৰাহ্মণ । তেওঁ টিয়ক আৰু নগাঁৱত 'নেপালী সত্ৰ ' স্থাপন কৰিছিল ।

প্ৰশ্ন ৬। গোৰ্খা সম্প্ৰদায়ৰ লোকসকলে পালন কৰা মুখ্য উৎসৱবোৰ কি কি ?

উত্তৰঃ মহিলাসকলে পালন কৰা ‘ তীজ , পাৰিবাৰিক সম্বন্ধ নিকপকপীয়া কৰা উৎসৱ ‘ বড়া দশৈ’আৰু ভাতৃ - ভগ্নীৰ প্ৰেমৰ উৎসৱ ‘ তিহাৰ’ আদি মুখ্য উৎসৱ ।

প্ৰশ্ন ৭। “ জম্বুদ্বীপে , আৰ্যৱৰ্তে , ভাৰতবৰ্ষে , অসম প্ৰান্তে ” বোলা কথাষাৰৰ তাৎপৰ্য কি ?

উত্তৰঃ প্ৰায় পাঁচ হাজাৰ বছৰৰ আগৰ পৰাই অৰ্থাৎ মহাভাৰতৰ সময়ৰ পৰাই অসম আৰু নেপালৰ মাজত পাৰস্পৰিক সম্বন্ধ আৰু প্ৰব্ৰজন আছিল । তেতিয়া এই সমগ্ৰ অঞ্চলটো
“ জম্বুদ্বীপে বা আৰ্যৱৰ্ত ’ নামেৰে জনাজাত আছিল । অসমৰ নেপালীভাষী লোকসকলে বছৰেকীয়া পিতৃ শ্ৰাদ্ধত পিণ্ড দান কৰোতে মন্ত্ৰৰ লগতে নিজৰ ঠিকনা উল্লেখ কৰি “ জম্বুদ্বীপে , আৰ্যৱৰ্তে , ভাৰতবৰ্ষে অসমপ্ৰান্তে ” বুলি কয় ।

প্ৰশ্ন ৮। সুগৌলী সন্ধি কেতিয়া হৈছিল , আৰু এই সন্ধিমতে কোনখন দেশৰ ভূ - ভাগ আৰু জন সমষ্টি ভাৰতৰ অন্তৰ্ভুক্ত হৈছিল ?

উত্তৰঃ বৃটিছ আৰু নেপালৰ মাজত ১৮১৫-১৬ চনত সুগৌলী সন্ধি হৈছিল । সেই সন্ধিমতে নেপালৰ জন সমষ্টিৰ সৈতে ভাৰতৰ উত্তৰৰ নেপালৰ বহু ভূ - ভাগ ভাৰতৰ অন্তৰ্ভুক্ত হয় ।

প্ৰশ্ন ৯। চমুটোকা লিখা ।

( ক ) ছবিলাল উপাধ্যায় ( খ ) হৰি প্ৰসাদ গোখা ৰাই ( গ ) দলবীৰ সিং লোহাৰ ।

উত্তৰঃ ( ক ) ছবিলাল উপাধ্যায় :- ১৮৮২ চনৰ ১২ মে'ৰ দিনা বৰ্তমান বিশ্বনাথ জিলাৰ বুঢ়ীগাঙত কাশীনাথ উপাধ্যায়ৰ ঔৰষত জন্ম গ্ৰহণ কৰা ছবিলাল উপাধ্যায়ৰ আনুষ্ঠানিক শিক্ষা মাধ্যমিক পৰ্যায়তে সীমিত আছিল। কিন্তু তেওঁ অনানুষ্ঠানিক অধ্যয়নৰ বলত আৰু চন্দ্ৰনাথ শৰ্মা , ঘনশ্যাম বৰুৱা , লোকনায়ক অমিয় কুমাৰ দাস আদিৰ সান্নিধ্যত ভাৰতৰ স্বাধীনতা সংগ্ৰামত জঁপিয়াই পৰিছিল। তৎকালীন ব্ৰিটিছ চৰকাৰে কাজিৰঙাৰ আশেপাশে থকা গোৰ্খা আৰু মিচিং লোকৰ গৰু - ম'হৰ খুঁটি উচ্ছেদৰ প্ৰস্তুতি চলায়। ছবিলাল উপাধ্যায়ে ১৯১৯ চনত তেজপুৰত অনুষ্ঠিত ' অসম এছোচিয়েচন'ৰ সভাত এই উচ্ছেদৰ বিৰুদ্ধে প্ৰস্তাৱ উত্থাপন কৰে আৰু প্ৰস্তাৱটো গৃহীত হয়। 'অসম এছোচিয়েচন'ৰ লগত যুক্ত ' ছবিলাল বাবু'ৰ সভাপতিত্বত ১৯২১ চনৰ ১৮ এপ্ৰিলৰ দিনা যোৰহাটত অনুষ্ঠিত হোৱা সভাত ' অসম এছোচিয়েচন'ক অসম প্ৰদেশ কংগ্ৰেছ কমিটিলৈ ৰূপান্তৰিত কৰা হয়। ছবিলাল বাবু অসম প্ৰদেশ কংগ্ৰেছ কমিটি প্ৰথম সভাপতি নিৰ্বাচিত হয়। কংগ্ৰেছত যোগদান কৰা বাবে উপাধ্যায়ক ব্ৰিটিছে গ্ৰেপ্তাৰ কৰে।

( খ ) হৰি প্ৰসাদ গোৰ্খা ৰাই :- নগালেণ্ডৰ ৰাজধানী ক'হিমাত ধনৰাজ ৰাই আৰু যশোদা ৰাইৰ সন্তান ৰূপে ১৯১৫ চনৰ ১৫ মাৰ্চত জন্মগ্ৰহণ কৰা হৰিপ্ৰসাদ ৰাইয়ে পিছত নিজকে হৰিপ্ৰসাদ গোৰ্খা ৰাই হিচাপে চিনাকি দিছিল। আৱাহন যুগৰ বিশিষ্ট লিখক হিচাপে পৰিচিত গোৰ্খা ৰাইয়ে ধনবাহাদুৰ সোনাৰ আৰু গোবিন্দ চন্দ্ৰ পৈৰাৰ লগ লাগি সাহিত্য চৰ্চাত আত্মনিয়োগ কৰে। এই ত্ৰিমূৰ্তিয়ে অসমীয়া মাধ্যমত শিক্ষাগ্ৰহণ কৰিছিল আৰু অসমীয়া ভাষা - সাহিত্যৰ চৰ্চাত ব্ৰতী হৈছিল। অসম সাহিত্য সভাৰ প্ৰথম সভাপতি পদ্মনাথ গোহাঞিবৰুৱাৰ সান্নিধ্যত সাহিত্য জগতত খোজ পেলোৱা 'গোৰ্খা'ৰাইয়ে ধনবাহাদুৰ সোনাৰ তথা গোবিন্দ চন্দ্ৰ পৈৰাৰ সহযোগত অসম সাহিত্য সভাৰ কোহিমা শাখা গঠন কৰে। পৰাধীন ভাৰতত জাতীয় চেতনা আৰু জাগৰণৰ বাবে সাহিত্য চৰ্চাক মাধ্যম হিচাপে লোৱা ব্যক্তিসকলৰ ভিতৰত গোৰ্খা ৰাইয়ো অন্যতম। সমালোচক গোবিন্দ প্ৰসাদ অধিকাৰীৰ মতে গোৰ্খা ৰাইয়ে ১৯৩৫ চনত অসমীয়া ভাষাত ৰাজনৈতিক প্ৰবন্ধ লিখিছিল। অসমীয়া আৰু নেপালী উভয় ভাষাতে সাহিত্য ৰচনা কৰা গোৰ্খা ৰাই সঁচা অৰ্থতে সমন্বয় আৰু সম্প্ৰীতিৰ প্ৰতীক আছিল।

( গ ) দলবীৰ সিং লোহাৰ :- দলবীৰ সিং লোহাৰৰ জন্ম ১৯১৫ চনৰ ২৬ জানুৱাৰীত ডিব্ৰুগড়ৰ খলিহামাৰীত। তেওঁৰ পিতৃৰ নাম অনতৰাম লোহাৰ। ১৫ বছৰ বয়সতে লোহাৰে জাতীয় আন্দোলনত স্বেচ্ছাসেৱক বাহিনীত যোগদান কৰে আৰু ১৯৩০ চনত কৰাচীত অনুষ্ঠিত অখিল ভাৰতীয় কংগ্ৰেছ কমিটিৰ সভাত অসমৰ হৈ প্ৰতিনিধিত্ব কৰে। লোহাৰে ১৯৩০ চনত কুখ্যাত কানিংহাম চাৰ্কুলাৰৰ বিৰোধিতা কৰি তিনি মাহ কাৰাবাস খাটে। নিৰ্ভীক আৰু স্বাধীনতা প্ৰিয় লোহাৰে ব্ৰিটিছৰ গণবিৰোধী নীতিৰ বিৰোধিতা কৰি পুনৰ ১৯৩১-৩২ চনত ছমাহ কাৰাবাস খাটিব লগা হয়। অস্পৃশ্যতা দূৰীকৰণত তেওঁ সক্ৰিয় ভূমিকা লৈছিল আৰু সেৱাদল গঠনত আগভাগ লৈছিল। তেওঁ শ্ৰমিক আন্দোলনৰ নেতা আছিল আৰু ট্ৰেড ইউনিয়ন গঠনত নিজকে মনোনিৱেশ কৰাইছিল। ২৯ জুলাই ১৯৬৯ চনত তেওঁ মৃত্যুবৰণ কুৰে।

## [ ( ঘ ) বড়োসকল ]

## পাঠভিত্তিক প্ৰশ্নোত্তৰ

প্ৰশ্ন ১। বড়োভাষা কি ভাষা গোষ্ঠীৰ অন্তৰ্ভুক্ত ?

উত্তৰঃ বড়োভাষা চীনা তিব্বত বৰ্মীয় ভাষাগোষ্ঠীৰ অন্তৰ্ভুক্ত।

প্ৰশ্ন ২। বড়োভাষা কেতিয়া প্ৰাথমিক শিক্ষাৰ মাধ্যম হিচাপে স্বীকৃত হৈছিল ?

উত্তৰঃ বড়োভাষা ১৯৬৩ চনত প্ৰাথমিক শিক্ষাৰ মাধ্যম হিচাপে স্বীকৃত হৈছিল।

প্ৰশ্ন ৩। বড়োসকলৰ বিষয়ে লিখা দুখন গ্ৰন্থৰ নাম লিখ।

উত্তৰঃ বড়োসকলৰ বিষয়ে লিখা দুখন গ্ৰন্থৰ নাম হ'ল- চিত্তৰঞ্জন মোছাহাৰীৰ 'ফৈমাল মিজিংক ' আৰু 'জুজাইনি অৰ'।
প্ৰশ্ন ৪। বড়ো ভাষাৰ প্ৰথম গ্ৰন্থখন কি ?

উত্তৰঃ বড়ো ভাষাৰ প্ৰথম গ্ৰন্থখন হ'ল- চিত্তৰঞ্জন মোছাহাৰীৰ ফৈমাল মিজিংক।

প্ৰশ্ন ৫। বড়োসকলৰ পৰম্পৰাগত সাজ - পাৰত ব্যৱহাৰ কৰা কেইটিমান চানেকি নাম লিখা।

উত্তৰঃ বড়োসকলৰ পৰম্পৰাগত সাজ পাৰত ব্যৱহাৰ কৰা ফুল বা চানেকি কেইটিমান হ'ল , — দাওথু আগান , ফাৰেও মেগমন , মুফুৰ আফা , দাওৰাই মৌথ্ৰাব , থাইগিৰ বিবাৰ হাজৌ আগৰ আদি।

প্ৰশ্ন ৬। চমুটোকা লিখা -

( ক ) ওস্তাদ কামিনী কুমাৰ নাৰ্জাৰী ( খ ) শোভা ব্ৰহ্ম ( ঘ ) বীনেশ্বৰ ব্ৰহ্ম

উত্তৰঃ ( ক ) ওস্তাদ কামিনী কুমাৰ নাৰ্জাৰী :- নৃত্য শিল্পী ওস্তাদ কামিনী কুমাৰ নাৰ্জাৰীৰ নিস্বাৰ্থ আৰু অশেষ প্ৰচেষ্টাত বড়ো নৃত্য ৰাজ্যিক পৰ্য্যায়ৰ পৰা ৰাষ্ট্ৰীয় পৰ্যায়লৈ উন্নীত হয়। তেওঁ ১৯২৬ চনত বৰ্তমান গোসাইগাঁও মহকুমাৰ অন্তৰ্গত বিন্যাখাটা অঞ্চলৰ বামুণকুৰা গাঁৱত জন্ম গ্ৰহণ কৰিছিল। তেওঁৰ পিতৃৰ নাম আছিল ৰাজাৰাম নাৰ্জাৰী আৰু মাতৃৰ নাম আছিল থাংগালী নাৰ্জাৰী।

১৯৫৫ চনত দিল্লীত হোৱা অল ইণ্ডিয়া ৰেডিঅ'ৰ মুকলি প্ৰদৰ্শনী অনুষ্ঠানত তেওঁ অংশ গ্ৰহণ কৰি বিবাহ গীত পৰিবেশন কৰিছিল। এই অনুষ্ঠানৰ পৰা উভতি আহিয়েই ওস্তাদ কামিনীয়ে বড়ো সংস্কৃতিৰ উন্নতিৰ বাবে বিভিন্ন দিশত কাম কৰিবলৈ লয়।

১৯৫৭ চনৰ ২৬ জানুৱাৰী তাৰিখে দিল্লীত অনুষ্ঠিত গণতন্ত্ৰ দিৱসত ওস্তাদ কামিনী কুমাৰ নাৰ্জাৰীয়ে এটি সাংস্কৃতিক দল ' লৈ অংশ গ্ৰহণ কৰে। ২৭ জানুৱাৰীত অনুষ্ঠিত হোৱা বড়ো কৃষ্টি দলে বাগুৰুম্বা নৃত্য পৰিবেশন কৰি ভাৰতৰ ভিতৰত প্ৰথম স্থান দখল কৰে।

( খ ) শোভা ব্ৰহ্ম :- ড° শোভা ব্ৰহ্ম ভাৰতৰ এজন প্ৰখ্যাত ভাস্কৰ্যবিদ আৰু অসমৰ কলা জগতৰ পথ - প্ৰদৰ্শক। তেওঁৰ সৃষ্টিৰাজিয়ে বড়ো আৰু অসমীয়া সমাজৰ প্ৰকৃত প্ৰতিচ্ছবি দাঙি ধৰিছে। এই মহান শিল্পীগৰাকী ১৯২৯ চনৰ ১৮ অক্টোবৰ তাৰিখে বৰ্তমান কোকৰাঝাৰ জিলাৰ গোসাইগাঁৱৰ ভূমকা নামৰ এখন পিছপৰা গাঁৱত জন্মগ্ৰহণ কৰিছিল। তেওঁৰ পিতৃৰ নাম আছিল হৰিচৰণ ব্ৰহ্ম আৰু মাতৃৰ নাম আছিল দেৱশ্ৰী ব্ৰহ্ম।

ড° ব্ৰহ্মই নিজ গাঁৱৰ প্ৰাথমিক বিদ্যালয়ত শিক্ষা গ্ৰহণ কৰিছিল। ইয়াৰ পিছত ধুবুৰীৰ ছাপটগ্ৰাম হাইস্কুলৰ পৰা ১৯৫০ চনত বুৰঞ্জী বিষয়ত লেটাৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হৈ গুৱাহাটী মহাবিদ্যালয়ত নাম ভৰ্তি কৰে। ব্ৰহ্মদেৱ সৰুৰে পৰাই এজন চিত্ৰশিল্পী আৰু ভাস্কৰ্যশিল্পী হোৱাৰ সপোন দেখিছিল। ললিত কলাৰত্ন ড ° শশাভা ব্ৰহ্মদেৱে ১৯৫০ চনত কবিগুৰু ৰবীন্দ্ৰনাথ ঠাকুৰে স্থাপন কৰা শান্তি নিকেতনত নাম ভৰ্তি কৰে। আৰু ১৯৫৭ চনত সুখ্যাতিৰে শিল্প বিষয়ত স্নাতক ডিগ্ৰী লৈ অসমলৈ উভতি আহে আৰু তাৰিণী চৰণ হাইস্কুলত শিক্ষকতা আৰম্ভ কৰে।

( ঘ ) বীনেশ্বৰ ব্ৰহ্ম :- শহীদ বিনেশ্বৰ ব্ৰহ্মদেৱে ১৯৪৯ চনৰ ২৮ ফেব্ৰুৱাৰী তাৰিখে বৰ্তমান কোকৰাঝাৰ জিলাৰ ভাতৰমাৰী গাঁৱত জন্মগ্ৰহণ কৰে। তেওঁৰ পিতৃ - মাতৃৰ নাম আছিল ক্ৰমে তাৰামণি ব্ৰহ্ম আৰু সোনটি ব্ৰহ্ম। ব্ৰহ্মদেৱৰ প্ৰাথমিক শিক্ষা আৰম্ভ হয় নিজ গাঁৱৰ ৩৬৫ নম্বৰ প্ৰাথমিক বিদ্যালয়ত ১৯৫৪ চনত। প্ৰাথমিক শিক্ষা সাং কৰি কোকৰাঝাৰ উচ্চতৰ মাধ্যমিক বহুমুখী বিদ্যালয়ত ১৯৬০ চনত নাম ভৰ্তি কৰে। এইবিদ্যালয়ৰ পৰাই এম.ই খণ্ডৰ বৃত্তি লাভ কৰাৰ লগতে ১৯৬৭ চনত পি.ইউ.এচছি , পৰীক্ষাত অংকত লেটাৰ নম্বৰসহ প্ৰথম বিভাগত উত্তীৰ্ণ হয়।

## [ ( ঙ ) মটকসকল ]

### পাঠভিত্তিক প্ৰশ্নোত্তৰ

প্ৰশ্ন ১। মটক শব্দৰ অৰ্থ লিখা।

উত্তৰঃ মটক শব্দৰ অৰ্থ হ'ল- 'ম' মানে শক্তিশালী , বুদ্ধিমান বা জ্ঞানী আৰু 'টক' মানে উপযুক্ত , জোখা , তুলাচনী পৰিৰক্ষিত অৰ্থাৎ মটক 'মানে' হ-ল উপযুক্ত , জ্ঞানী , শক্তিশালী পণ্ডিত।

২। মটক শব্দটিৰ উৎপত্তি সম্বন্ধে লিখা ।

উত্তৰঃ 'মটক' শব্দটি টাই ভাষাৰ শব্দ । টাই ভাষাত 'ম' মানে শক্তিশালী , বুদ্ধিমান বা জ্ঞানী আৰু 'টক' মানে উপযুক্ত , জোখা , তুলাচনী পৰিক্ষিত অৰ্থাৎ মটক 'মানে' হ-ল উপযুক্ত , জ্ঞানী , শক্তিশালী পণ্ডিত ।

প্ৰশ্ন ৩। মটক সকল সাধাৰণতে কোন ধৰ্মৰ লোক ?

উত্তৰঃ 'মটক ' সকল সাধাৰণতে ' তাও ধৰ্মৰ লোক । পিছলৈ তেওঁলোকে মায়ামৰা বৈষ্ণৱ ধৰ্ম গ্ৰহণ কৰিছিল ।

প্ৰশ্ন ৪। মটকসকলৰ লগত মোৱামৰীয়া বিদ্ৰোহৰ সম্বন্ধৰ বিষয়ে লিখা ।

উত্তৰঃ মোৱামৰীয়া বিদ্ৰোহৰ প্ৰধান নেতা আছিল মটকসকল । সেই কাৰণেই মটক সকলৰ ওপৰত মোৱামৰীয়া বিদ্ৰোহ দমাবৰ বাবে ৰজাঘৰৰ অত্যাচাৰ চলিছিল । বিদ্ৰোহ আচল নেতাসকলক বিচাৰি নাপাই সাধাৰণ নিৰপৰাধী মানুহকে বন্দী কৰি কাৰাগাৰত ৰাখিছিল ।

প্ৰশ্ন ৫। মটক ৰাজ্যৰ উন্নতিৰ বাবে সৰ্বানন্দ সিংহই কৰা জনকল্যাণমূলক কাম - কাজৰ বিষয়ে চমুকৈ বৰ্ণনা কৰা ।

উত্তৰঃ সৰ্বানন্দ সিংহই মটক ৰাজ্যৰ উন্নতিৰ কাৰণে বিভিন্ন জনকল্যাণমূলক কাম কাজ কৰিছিল । ৰঙাগড়া আলি , গোধা আলি , ৰাজগড় আলি , হাতী আলি আদি নিৰ্মাণ কৰি যাতায়তৰ সূচল কৰিছিল । ৰাজধানীৰ বাহিৰে ভিতৰে মুঠ চৌবিশটা পুখুৰী খন্দাইছিল । তাৰে ভিতৰত বেংমৰ পুখুৰী , তিনিকোণীয়া পুখুৰী , দেবী পুখুৰী , শেলুকীয়া পুখুৰী , বৰ পুখুৰী , চাউলখোৱা পুখুৰী আদি উল্লেখযোগ্য ।

প্ৰশ্ন ৬। চমুটোকা লিখা ।

( ক ) শিক্ষাবিদ পৱন নেওগ ( খ ) ৰাজকুমাৰ লংকেশ্বৰ গোহাঁই ( গ ) সৰ্বানন্দ সিংহ

উত্তৰঃ ( ক ) শিক্ষাবিদ পৱন নেওগ :- পৱন নেওগৰ জন্ম হয় ১৯৩৩ চনৰ ১৮ অক্টোবৰ তাৰিখে বৰগুৰি , তিনিচুকীয়াত । পিতৃ আসাম্বৰ নেওগ আৰু মাতৃ গোলাপী নেওগ । মাতৃ ঢুকোৱাৰ পিছত মাহী মাক মুহীলা নেওগৰ দ্বাৰা লালিত পালিত হৈ পাঁচ বছৰৰ দেওনা পাৰ হওঁতেই প্ৰাথমিক শিক্ষা আৰম্ভ কৰে তিনিচুকীয়া আদৰ্শ প্ৰাথমিক বিদ্যালয়ত । শিক্ষা সম্পূৰ্ণ কৰি চেনাইৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয়ত নাম ভৰ্তি কৰে । নিজ দৃঢ়তাৰে অধ্যয়ন কৰি সেই বিদ্যালয়ৰ পৰা ১৯৫৩ চনত প্ৰৱেশিকা পৰীক্ষা পাছ কৰে ।

খেলা - ধূলাত যথেষ্ট ৰাপ থকা নেওগে বিশেষকৈ ফুটবল আৰু ভলীবল খেলত বিদ্যালয়খনৰ এজন ভাল খেলুৱৈ হিচাপে সুনাম অৰ্জন কৰিছিল । সঙ্গীত তেওঁৰ প্ৰিয় আছিল আৰু যৎপৰোনাস্তি চৰ্চাও কৰিছিল । তেওঁৰ বহুমুখী প্ৰতিভাৰ বাবে বিদ্যালয়খনৰ শিক্ষক - শিক্ষয়িত্ৰীসকলৰ অতি প্ৰিয় ছাত্ৰ আছিল ।

( খ ) ৰাজকুমাৰ লংকেশ্বৰ গোহাঁই :- ৰাজকুমাৰ লংকেশ্বৰ গোহাঁই তেতিয়াৰ বেংমৰা ৰাজ্যৰ ( ১৭৮৮ ) প্ৰতিষ্ঠাপক ৰজা স্বৰ্গদেউ সৰ্বানন্দ সিংহৰ সুযোগ্য পৰিনাতি আছিল । ৰজা সৰ্বানন্দ সিংহৰ তিনিজন পুত্ৰ আছিল । মাটিবৰ , কলিবৰ আৰু কমলেশ্বৰ । মাটিবৰৰ ভোগ , ভগীৰথ , দুখীৰথ , সুক আদিকে ধৰি দহজন পুত্ৰ আছিল । ভগীৰথৰ তৃতীয় পুত্ৰ বিশবৰৰ নুমলীয়া তথা ষষ্ঠ পুত্ৰই আছিল ৰাজকুমাৰ লংকেশ্বৰ গোহাঁই । লংকেশ্বৰ গোহাঁইয়ে ০১-০৫-১৯৫৪ তাৰিখে তেতিয়াৰ লখিমপুৰ জিলাৰ উপায়ুক্তৰ আগত ঐতিহাসিক বেংমৰা ৰাজ্যৰ পুনৰ উদ্ধাৰৰ বাবে তৰা গোচৰৰ সাক্ষীত তেওঁৰ জন্ম ১৮৮৭ চনত তিনিচুকীয়াত হোৱা বুলি উল্লেখ আছে । স্বৰ্গদেউ সৰ্বানন্দ সিংহৰ মৃত্যুৰ পিছত ৰাজ পৰিয়ালটোৰ লগতে বেংমৰা ৰাজ্যৰ অন্যান্য বিষয়ববীয়াসকল ৰাজ্যৰ বিভিন্ন স্থানত সিঁচৰতি হৈ বসবাস কৰিছিল কৰিছিল । ৰাজকুমাৰ লংকেশ্বৰ গোহাঁইৰ ১০/১২ বছৰ বয়সত পৰিয়ালৰ সৈতে চাবুৱালৈ উঠি যায় । ৰাজপৰিয়াল বাস কৰাৰ বাবে অঞ্চলটোৰ নাম পৰৱৰ্তী সময়ত ৰজাবাৰী নামেৰে নামকৰণ হয় ।

( গ ) সৰ্বানন্দ সিংহ :- সৰ্বানন্দ সিংহৰ পিতৃৰ নাম আছিল মৰুৎনন্দন আৰু মাতৃৰ নাম আছিল পাতয় । পিতৃ - মাতৃৰ একমাত্ৰ সন্তান সৰ্বানন্দই কেঁচুৱা কালতে মাতৃক হেৰুৱাবলগীয়া হৈছিল । অতি সাধাৰণ খাটিখোৱা মৰুৎনন্দন আছিল মটকৰ বুৰুক চুতীয়া খেলৰ লোক । সৰ্বানন্দৰ পিতৃ প্ৰদত্ত নাম আছিল 'মেজেৰা' । মাতৃহাৰা মেজেৰাক সকলো সময়তে

মৰুৎনন্দনে লগত লৈ ফুৰিবলগীয়া হৈছিল আৰু অতি যতনেৰে তুলি তালি ডাঙৰ - দীঘল কৰিছিল । মৰুৎনন্দনে এবাৰ মেজেৰাক বোকোচাত লৈ পুখুৰী খান্দি থাকোতে ৰজাই দেখি তেওঁক কামৰ পৰা অব্যাহতি দিছিল । পিতৃৰ লালন - পালনত লাহে লাহে মেজেৰা ডাঙৰ হৈ ডেকা হৈছিল ।

## [ ( চ ) মৰাণসকল ]

### পাঠভিত্তিক প্ৰশ্নোত্তৰ

প্ৰশ্ন ১। মৰাণ সকলৰ নৃগোষ্ঠীয় পৰিচয় সম্পৰ্কে তিনিটা বাক্যত লিখা ।

উত্তৰঃ মৰাণ সকল বৃহৎ কিৰাত - মঙ্গোলীয় মূলৰ অন্যতম জনজাতীয় গোট ।

প্ৰশ্ন ২। অসম আৰু কোন কেইখন জিলাত মৰাণ সকলৰ বসতি বেছি ?

উত্তৰঃ অসমৰ তিনিচুকীয়া জিলা , ডিব্ৰুগড় জিলা আৰু অৰুণাচলৰ নামচাই আৰু চাংলাং জিলাত মৰাণসকলৰ বসতি বেছি ।

প্ৰশ্ন ৩ বুৰঞ্জীত উল্লেখ থকা বাৰ ঘৰ কছাৰীৰ নাম লিখা ।

উত্তৰঃ বুৰঞ্জীত উল্লেখ থকা বাঘৰ কছাৰীৰ নাম হ'ল – দমচয় ( ডিমাছা ) , ইনটহজয় ( হোজাই ) , বিহদয় ( বড়ো ) , জুহল - লুইবা ( লালু বা সম্প্ৰতি ব্ৰি ) , বাদু সোণলয় ( সোণোৱাল ) , ইনটু - মিমথয় ( মৰাণ ) , দিউনয় ( দেউৰী ) , ইনটু - মেচয় ( মেছ ) , কুচুবৰ্য ( কোচ ) , ইনটু - গাৰোয় । ( গাৰো , ৰাভা কিটয় ( বাভা ) , বুদু হজয় ( হাজং ) ।

প্ৰশ্ন ৪। মৰাণ ভাষাৰ দহোটা শব্দ লিখা ।

উত্তৰঃ মৰাণ ভাষাৰ দহোটা শব্দ – দি ( পানী ) , সিম ( নিমখ ) , মাই ( ধান ) , মাইৰুম ( চাউল ) , মিয়াম ( ভাত ) , মহন ( মাংস ) , চান ( সূৰ্য ) , দান ( চন্দ্ৰ ) , হান ( চাহ ) , হিংকা ( কাপোৰ ) আৰু চেনফং ( গছ ) ।

প্ৰশ্ন ৫। মৰাণসকলৰ ঐতিহাসিক যুগৰ ৰাজ্যখনৰ চাৰিসীমা উল্লেখ কৰা ।

উত্তৰঃ মৰাণ সকলৰ ঐতিহাসিক যুগৰ ৰাজ্যখনৰ চাৰিসীমা এনেধৰণৰ — উত্তৰে বুঢ়ীদিহিং , দক্ষিণে দিচাং , পূবে চক্ৰাই আৰু পশ্চিমে ব্ৰহ্মপুত্ৰ ।

প্ৰশ্ন ৬। মৰাণ সকলৰ ঐতিহাসিক যুগৰ অন্তিমজন ৰজাৰ নাম কি ?

উত্তৰঃ মৰাণসকলৰ ঐতিহাসিক যুগৰ অন্তিমজন ৰজাৰ নাম হ'ল— 'বদৌছা ' বা 'বড়োচা' ।

প্ৰশ্ন ৭। মৰাণ সকলে বহাগৰ বিহু কেতিয়া কেনেকৈ পালন কৰে ?

উত্তৰঃ মৰাণ সকলে বহাগৰ বিহু এনেদৰে পালন কৰে – বহাগৰ প্ৰথম মঙ্গলবাৰে দেৱ - দেৱীৰ পূজা - অৰ্চনা কৰি বিহু নমায় আৰু মঙ্গলবাৰে উৰুকা , বুধবাৰে গৰু বিহু আৰু বৃহস্পতিবাৰে মানুহ বিহু ৰূপে সাতদিন সাতবাতি বিহু মাৰি বিহু পালন কৰে ।

প্ৰশ্ন ৮। মৰাণ সকলৰ দুটা বৃত্তিমূলক , দুটা গুণবাচক , আৰু দুটা স্থানবাচক খেলৰ নাম লিখা ।

উত্তৰঃ বৃত্তিমূলক খেল— তেল পৰা তেলেপীয়া , নাও নিৰ্মাণ কৰা নাওশলীয়া ।
গুণবাচক খেল – পেটুধোৱা , হাতীমূৰীয়া । স্থানবাচক খেল – মাজুলী গঞা , হালধি বৰণীয়া

প্ৰশ্ন ৯। মৰাণ সকলৰ জাতীয় খেতি কি ?

উত্তৰঃ মৰাণ সকলৰ জাতীয় খেতি হ'ল সুমথিৰা বা কমলাটেঙাৰ খেতি ।

প্ৰশ্ন ১০। মৰাণ সকলৰ ডেকাসকলৰ দলপতিৰ দায়িত্ব কেনেধৰণৰ ?

উত্তৰঃ মৰাণসকলৰ ডেকাসকলৰ দলপতিৰ দায়িত্ব হ'ল সমাজ পৰিচালনাত আগভাগ লোৱা ।

প্ৰশ্ন ১১। ক'ত ক'ত মৰাণসকলৰ দেৱ - দেৱীৰ পূজাৰ শাল আছিল ?

উত্তৰঃ শদিয়াৰ কেঁচাইখাতী থান , তিনিচুকীয়া জিলাৰ মাকুমৰ যজ্ঞোখোৱা , দেওশাল , চৰাইদেউ আদিত মৰাণসকলৰ দেৱ - দেৱীৰ পূজাৰ শাল আছিল ।

প্ৰশ্ন ১২। চমুটোকা লিখা ।

( ক ) সমন্বয়ৰ জনক কিৰাত শৌৰ্য বোদৌচা ( খ ) বীৰাঙ্গণা ৰাধা-ৰুকুণী ( গ ) বীৰ সেনাপতি ঝপৰা জগধা ( ঘ ) মোহন শইকীয়া ( ঙ ) ৰাঘব মৰাণ

উত্তৰঃ (ক ) সমন্বয়ৰ জনক কিৰাত শৌৰ্য বোদৌচা :- অসমৰ অন্যতম আদিম অধিবাসী কিৰাত - মঙ্গোলীয় গোষ্ঠীৰ অন্তৰ্গত মৰাণসকলৰ ঐতিহাসিক যুগৰ অন্তিম জনা ৰজা আছিল বদৌচা । ১২২৮ খ্ৰীষ্টাব্দত চাওলুং চুকাফাই অসমত প্ৰৱেশ কৰাৰ সময়ত বদৌচাৰ অধীনত উত্তৰে বুঢ়ীদিহিং , দক্ষিণে দিচাং , পূবে চক্ৰাই আৰু পশ্চিমে ব্ৰহ্মপুত্ৰ মহানদীৰ মাজৰ ভূখণ্ডৰ এখন সমৃদ্ধিশালী মৰাণ ৰাজ্য আছিল । সাম্প্ৰতিক কালৰ শিৱসাগৰ জিলা আৰু ডিব্ৰুগড় জিলাৰ একাংশ সামৰি মৰাণ ৰাজ্যৰ অৱস্থিতি আছিল । মৰাণ ৰাজ্যৰ কাষতে বৰাহী ৰাজ্য আছিল আৰু অন্যান্য অঞ্চলত চুটীয়া , কছাৰী , ভূঞা ৰাজ্যৰ উপৰিও পাহাৰ - ভৈয়ামৰ সকলোবোৰ আদিম গোষ্ঠীৰ নিজ নিজ ভূখণ্ড আছিল । সেই প্ৰাচীন ৰাজ্যবোৰৰ মাজত , জাতি - জনগোষ্ঠীসকলৰ মাজত কোনো ধৰণৰ অসূয়া - অপ্ৰীতি , দ্বন্দ - সংঘাত , যুদ্ধ - বিগ্ৰহ আদি হোৱাৰ সম্ভেদ বুৰঞ্জীত পোৱা নাযায় । কাজেই সমগ্ৰ ভূ - ভাগতে কৌটিকলীয়া শান্তি সম্প্ৰীতি আৰু সমন্বয়ৰ পৰিৱেশ বিৰাজমান হৈ আছিল বুলি সহজেই অনুমান কৰিব পাৰি ।

( খ ) বীৰাঙ্গণা ৰাধা-ৰুকুণী :- বিশ্ব ইতিহাসৰ গণবিপ্লৱসমূহৰ ভিতৰত মধ্যযুগৰ অসম মুলুকত সংঘটিত মোৱামৰীয়া গণবিপ্লৱো অন্যতম । এই সৰ্বাত্মক গণবিপ্লৱত নাৰীশক্তিৰ সবল যোগদান এক বিস্ময়কৰ অধ্যায়ৰূপে চিহ্নিত হৈছে ।

ছশ বছৰীয়া আহোম ৰাজত্বৰ শেষৰ ফালে স্বেচ্ছাচাৰী হৈ উঠা ৰাজতন্ত্ৰৰ চৰম অন্যায় - অবিচাৰ , অনাচাৰ অত্যাচাৰৰ বিৰুদ্ধে , সকলো জাতি - উপজাতি সাধাৰণ কৃষক প্ৰজাই সৰ্বাত্মকভাৱে অংশগ্ৰহণ কৰা এই বিপ্লৱৰ নেতৃত্ব দিছিল মৰাণসকলে । বীৰ ৰাঘৱ মৰাণ আৰু নাহৰখোৱা মৰাণৰ ( শইকীয়া ) অগ্ৰণী ভূমিকাৰ সমানেই প্ৰজা সাধাৰণক সংগঠিত কৰিবৰ বাবে শক্তিশালী অংশ গ্ৰহণ কৰিছিল নাহৰৰ দুই পত্নী ভাতুকী , ভাবুলী ওৰফে ৰাধা - ককুণীয়ে ।

মোৱামৰীয়া বিপ্লৱৰ বহিঃপ্ৰকাশো ঘটিছিল এই দুই থকাৰ সময়তে । ৰজা লক্ষ্মীসিংহই বৰঢাক সাজিবৰ বাবে গছ কাটিবলৈ হাবিলৈ মানুহ পঠাইছিল । ৰাধা - ৰুকুণীয়ে গাঁৱৰ মানুহ একত্ৰিত কৰি 'এইখন থলুৱা জনগণৰ আবহমান কালৰ হাবি , যাউতিযুগীয়া প্ৰাকৃতিক সম্পদ , ইয়াত ৰজাৰ অধিকাৰ নাই ।' বুলি কৈ ৰজাৰ মানুহক ওভতাই পঠিয়াইছিল ।

( গ ) বীৰ সেনাপতি ঝপৰা জগধা :- ঝপৰা জগধা দশম শতিকাৰ মৰাণ জনজাতিৰ এগৰাকী বীৰ পুৰুষ আছিল । তেওঁৰ পিতৃৰ নাম আছিল দাৰবি । যদিওবা ত্ৰয়োদশ শতিকাতেই অসমলৈ চাওলুং চ্যুকাফাই আহি মৰাণ , বৰাহী , কছাৰী আদি জাতি সামৰি বৃহত্তৰ আহোম ৰাজ্যৰ পাতনি মেলিছিল ; পঞ্চদশ শতিকাৰৰ পাছলৈকে মৰাণসকলৰ দৰে বহু জনজাতিয়ে ঘন অৰণ্যৰ মাজত অৰণ্যবাসী হিচাপে জীৱন নিৰ্বাহ কৰিছিল । সেইসকলে দলপতি বা মুৰব্বীৰ দ্বাৰা পৰিচালিত সমাজ পাতি বসবাস কৰিছিল । তেনে এগৰাকী দলপতি আছিল থাওথাই । প্ৰাচীন সৌমাৰখণ্ডৰ এক বিস্তৃত অঞ্চলত তেওঁৰ তত্বাৱধানত উল্লেখযোগ্য ভূমিকা লৈছিল । উল্লেখযোগ্য যে মৰাণসকলে আহোম ৰাজ্য তথা অসমীয়া জাতি প্ৰতিষ্ঠাত প্ৰধান ভূমিকা লৈছিল । সেয়েহে তেওঁলোকে আহোম ৰাজ্য প্ৰশাসনলৈ কৰ-কাটল দিব নেলাগিছিল । থাওথাই আৰু দাৰবীৰ ছয়জন পুত্ৰ থাদুন , কিচিম ফেফেলা , হুইলাও , জগধা , থাওথাই আৰু চিকচৌ । জগধা পঞ্চম পুত্ৰ আছিল । তেওঁ সকলোতকৈ পাহুল , বলী আৰু সাহসী আছিল । ল'ৰাকালিতে তেওঁ বাৰিষা ডিব্ৰু নদী পাৰ হৈ

অৰণ্যত মেলি থোৱা হাতী ধৰি ঘৰলৈ আনিব পাৰিছিল। আন দহজন লৰাতকৈ জগধা সাহস , বল বিক্রম আৰু চিন্তাধাৰাত বৰ আগবঢ়া আছিল।

( ঘ ) মোহন শইকীয়া :- মৰাণসকলৰ আধুনিক কালছোৱাৰ পুৰোধা ব্যক্তিসকলৰ অন্যতম প্ৰয়াত মোহন শইকীয়া। অতীত অসমৰ এক শক্তিশালী জনগোষ্ঠী অথচ বিভিন্ন ঐতিহাসিক বিড়ম্বনাৰ কবলত পৰি সাম্প্ৰতিক কালত অতিকে জৰ্জৰিত আৰু সৰ্বদিশতে অনগ্ৰসৰ মৰাণ সমাজখনৰ প্ৰথমচাম মুষ্টিমেয় শিক্ষিত লোকৰ অন্যতম শইকীয়াদেৱ।

তেওঁৰ জন্ম হয় ১৯৩০ চনৰ ২২ নৱেম্বৰ তাৰিখে তিনিচুকীয়া জিলাৰ তালাপৰ এক অতি ভিতৰুৱা অঞ্চলৰ ২২ নং তামূলি গাঁৱত। পিতৃৰ নাম আছিল জ্ঞানেন্দ্ৰ শইকীয়া আৰু মাতৃৰ নাম আছিল শুকানি শইকীয়া। প্ৰাথমিক শিক্ষা জন্মগাঁৱতে গ্ৰহণ কৰি ১৯৫০ চনত ডাঙৰী উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হৈ ১৯৫৫ চনত ডিব্ৰুগড় কানৈ বাণিজ্য মহাবিদ্যালয়ৰ পৰা বি . কম . পাছ কৰি প্ৰথমে ডিব্ৰুগড় জিলাৰ ৰাজহ চক্ৰ বিষয়া কাৰ্যালয়ত কেৰাণী পদত যোগদান কৰে।

( ঙ ) ৰাঘব মৰাণ :- অসম মুলুকত সংঘটিত হোৱা মোৱামৰীয়া গণবিপ্লৱৰ প্ৰধান নেতাজনৰ নামেই আছিল বীৰ ৰাঘৱ মৰাণ। ছশ বছৰীয়া আহোম ৰাজত্বৰ শেষৰ ফালে স্বেচ্ছাচাৰী হৈ উঠা ৰাজতন্ত্ৰৰ চৰম অন্যায় - অবিচাৰ , শোষণ নিষ্পেষণৰ কবলৰ পৰা ৰাজ্যখনৰ সকলো জাতি - উপজাতিৰ খাটিখোৱা প্ৰজাসাধাৰণৰ মুকুতিৰ হকে এইজনা বীৰৰ সুদক্ষ নেতৃত্বতে সূচনা হৈছিল বিশ্বৰ সৰ্বপ্ৰথম এই সৰ্বাত্মক বিপ্লৱ।

ৰজাঘৰৰ বুৰঞ্জীৰ পাতে পাতে এই বিপ্লৱক মৰাণৰ দৌৰাত্ম্য , ৰাঘৱ মৰাণক নিষ্ঠুৰ , অত্যাচাৰী , নাৰীহৰণকাৰীৰূপে অপব্যাখ্যা দিয়াৰ বিপৰীতে আধুনিক কালৰ প্ৰগতিবাদী পণ্ডিত ড° অমলেন্দু গুহ , ড° হীৰেন গোহাঁই , ড° স্বৰ্ণলতা বৰুৱা , ড° ধ্ৰুৱজ্যোতি বৰা , ড° দেৱব্ৰত শৰ্মাকে ধৰি আন বহু চিন্তাবিদে , ৰাঘৱৰ মুখেৰে নিৰ্গত হোৱা 'ৰাইজেই ৰজা' মহামন্ত্ৰৰে সূচনা কৰা এই বিপ্লৱক শোষক আৰু শোষিত মাজত হোৱা গৃহযুদ্ধ আখ্যা দিছে।

## [ ( ছ ) মিচিংসকল ]

### পাঠভিত্তিক প্ৰশ্নোত্তৰ

প্ৰশ্ন ১। মিচিং জনজাতিৰ বিষয়ে এটা চমুটোকা লিখা।

উত্তৰঃ মিচিং হ'ল অসমৰ দ্বিতীয় সৰ্ববৃহৎ জনজাতীয় জনগোষ্ঠী। মিচিং সকলক 'মিৰি' হিচাপেও জনা যায়। মিচিং সকলে বহল অৰ্থত নিজকে ' তানি ' বুলি পৰিচয় দিয়ে।

মিচিংসকলৰ পূৰ্বৰ বাসস্থান আছিল অসমৰ উত্তৰলানি পাহাৰ অঞ্চল। পিছত জীৱিকাৰ সন্ধানত তেওঁলোক অসমৰ সমতললৈ নামি আহে। মিচিং জনগোষ্ঠীৰ মাজত কেইবা প্ৰকাৰে বিবাহ সম্পাদিত হয়। বংশ বা গোত্ৰ গণনা পুৰুষৰ ফালৰ পৰা কৰা হয়। মনে বিচৰা জীৱন - সংগী বিচৰাত ডেকা - গাভৰুৰ মাজত স্বাধীনতা আছে। বিয়া একেটা কুলৰ মাজত নহয়। কুল বিচৰাত উচ্চ - নীচৰ বিচাৰ বা ভাৱ নাথাকে।

মিচিংসকলৰ জীৱিকাৰ সম্বল হ'ল কৃষি। ধান খেতি কৰাৰ উপৰিও তেওঁলোকে মাহ , সৰিয়হ , বিবিধ আলু , কচু , আদা , জলকীয়া আদিৰ খেতি কৰে। গাঁৱত শান্তি সম্প্ৰীতি বজাই ৰাখিবৰ বাবে একোজন গাঁওবুঢ়া থাকে।

মিচিংসকলৰ সাংস্কৃতিক পৰিচয় পোৱা যায় জাতীয় সাজ - পাৰত। পুৰুষসকলে মিবু গালুগ , গনৰ , উগন , টঙালি , দুমৌৰ আদি পৰিধান কৰে। মহিলা সকলে ৰিহা - মেখেলা , ৰিবি গাচেং আদি পৰিধান কৰাৰ উপৰিও নানা ৰকমৰ অলংকাৰ পিন্ধে। ধৰ্মীয় ক্ষেত্ৰত তেওঁলোকে মহাপুৰুষীয়া , শৈৱ , শাক্ত , তান্ত্ৰিক আৰু কেৱলীয়া বা ৰাতি সেৱা ধৰ্ম পন্থা অবলম্বন কৰে। হ'লেও তেওঁলোকৰ ' দঞিপল' মূলধৰ্ম।

প্ৰশ্ন ২। মিচিং সকলৰ তিনিবিধ সাজ - পাৰৰ নাম লিখা।

উত্তৰঃ পুৰুষসকলৰ - মিবু গালুগ , মহিলাৰ - ৰিহা মেখেলা , ৰিবি গাচেং।

প্ৰশ্ন ৩। আলি আঃয়ে লিগাং কিয় আৰু কেতিয়া পতা হয় ?

উত্তৰঃ আলিঃআয়ে লিগাং মিচিংসকল কৃষিভিত্তিক উৎসৱ । বীজ গুটি ৰোপণৰ শুভাৰম্ভ হিচাপে ফাগুণ মাহৰ প্ৰথম বুধবাৰৰ দিনা এই উৎসৱ পালন কৰা হয় ।

প্ৰশ্ন ৪। মিচিং সকলৰ ধৰ্মপন্থা সম্পৰ্কে চমুকৈ লিখা ।

উত্তৰঃ মিচিং সকলে মহাপুৰুষীয়া , শৈৱ , শাক্ত , তান্ত্ৰিক আৰু বিশেষকৈ কেৱলীয়া বা ৰাতি সেৱা ধৰ্ম পন্থা অৱলম্বন কৰা দেখা যায় যদিও স্বধৰ্ম হিচাপে তেওঁলোকৰ মূলধৰ্ম ‘ দঞিপল' ।

প্ৰশ্ন ৫। আলি আয়ে নৃগাং শব্দৰ ব্যুৎপত্তি লিখা ।

উত্তৰঃ আলি আয়ে নৃগাং হ’ল মিচিং সকলৰ জাতীয় উৎসৱ । এই শব্দটিৰ ব্যুৎপত্তিগত অৰ্থ আছে । 'আলি’ মানে হ’ল মাটিৰ তলত হোৱা বীজ , ‘আয়ে’ মানে হ’ল গা - গছৰ ওপৰত হোৱা ফল বা গুটি আৰু লৃগাং ’ শব্দৰ অৰ্থ ৰোপণ কাৰ্যৰ শুভাৰম্ভ , – অৰ্থাৎ বীজ - গুটি ৰোৱা কাৰ্যৰ শুভাৰম্ভ । সেয়ে ফাগুণ মাহৰ প্ৰথম বুধবাৰৰ দিনা এই উৎসৱ পালন কৰা হয় ।

প্ৰশ্ন ৬। চমুটোকা লিখা ।

( ক ) ভৃগুমুনি কাগয়ুং ( খ ) শ্বহীদ কমলা মিৰি ( গ ) ঐৰাম বৰি ( ঘ ) যাদৱ পায়েং

উত্তৰঃ ( ক ) ভৃগুমুনি কাগয়ুং :- ভৃগুমুনি কাগয়ুঙৰ পূৰ্ব - পুৰুষৰ নাম আছিল কৰ্তঙ ।কৰ্তঙৰ তিনিজন পুত্ৰ সন্তান - ক্ৰমে তামন , খহুৱা আৰু কুশৰাম । খহুৱাৰ ঔৰসত য়াবৰীৰ গৰ্ভত ভৃগুমুনিৰ জন্ম হয় ১৯৩২ চনৰ অক্টোবৰ মাহৰ কোনো এক শুভ মুহূৰ্তত আলিমূৰ গাঁৱত । ভৃগুমুনি কাগয়ুঙে তেওঁৰ শৈশৱ আলিমূৰ গাঁৱতে পাৰ কৰিছিল ।

ভৃগুমুনি কাগয়ুঙে গাঁৱৰে ৫৮ নং আলিমূৰ প্ৰাথমিক বিদ্যালয়ত প্ৰাথমিক শিক্ষা গ্ৰহণ কৰিছিল । যোৰহাট চৰকাৰী বহুমুখী ল’ৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা তেওঁ ১৯৫৮ চনত অৱতীৰ্ণ হৈ প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয় । ভৃগুমুনি কাগয়ুং আছিল সৰুৰে পৰা আত্মনিৰ্ভৰশীল । পিতৃ বিয়োগৰ পিছত পঢ়াৰ খৰচ তেওঁ নিজে উলিয়াই লৈছিল । সেয়ে দিনৰ ভাগত নিজে অৰ্থ - উপাৰ্জনৰ উদ্দেশ্যে বিভিন্ন প্ৰতিষ্ঠানত কাম কৰিছিল আৰু ৰাতিৰ ভাগত কলেজত পঢ়িছিল । এনেদৰে পঢ়িয়ে তেওঁ যোৰহাট জে বি কলেজৰ পৰা আই . এ . আৰু বি বৰুৱা কলেজ , গুৱাহাটীৰ পৰা ১৯৮৭ চনত স্নাতক ডিগ্ৰী লাভ কৰে ।

( খ ) শ্বহীদ কমলা মিৰি :- ১৮৯৪ চনৰ শিৱসাগৰ জিলাৰ ( বৰ্তমান গোলাঘাট জিলা ) ৰঙামাটি মৌজাৰ অন্তৰ্গত ওপৰ টেমেৰা গাঁৱত কমলা মিৰিৰ জন্ম হৈছিল । ওপৰ টেমেৰা কালক্ৰমত কেইবাখনো গাঁৱত বিভক্ত হ’ল আৰু কমলা মিৰি জন্ম হোৱা গাঁওখনক এতিয়া গুলুং টেমেৰা নামেৰেহে জনা যায় । কমলা মিৰিৰ পিতৃৰ নাম আছিল চিকৌ লইং আৰু মাতৃৰ নাম আছিল মংগলী লইং । সেই সময়ত ওপৰ টেমেৰা গাঁৱত কোনো শিক্ষানুষ্ঠান নথকাত কমলা মিৰিয়ে আনুষ্ঠানিক শিক্ষা গ্ৰহণ কৰিবৰ বাবে ভোলাগুৰিলৈ ঢাপলি মেলিছিল আৰু তেতিয়াৰ  পৰাই বৰেণ্য মুক্তিযোদ্ধা আপিৰাম গগৈৰ লগত বন্ধুত্ব স্থাপন হ'ল বুলি জনা যায় । কোনো কোনোৱে আকৌ সোণাৰাম মিত্ৰ নামৰ এজন বাংলা জনা লোকৰ পৰা কমলা লইঙে শিক্ষা গ্ৰহণ কৰিছিল বুলি ক'ব খোজে ।

( গ ) ঐৰাম বৰি :- মিচিং সংস্কৃতিৰ পিতৃপুৰুষ ঐৰাম বৰিৰ জন্ম হৈছিল ব্ৰিটিছ প্ৰশাসনৰ ‘নেফা’ ( NEFA ) - ৰ অন্তৰ্গত অয়ান গাঁৱত ১৮৭৭ চনত । বৰিদেৱৰ পিতৃ - মাতৃৰ নাম আছিল তাকিৰ বৰি আৰু মঙলী বৰি ।

সেই সময়ত গাঁওখনৰ আশে - পাশে বিদ্যালয় নাছিল । তেওঁ নিজা গাঁৱৰ পৰা ত্ৰিছ - পইত্ৰিশ কিলোমিটাৰ নামনিৰ পুৰণা মুৰ্কংচেলেকৰ অন্তৰ্গত মেচাকী প্ৰাথমিক বিদ্যালয়ত চতুৰ্থ শ্ৰেণীলৈকে অধ্যয়ন কৰে ।

ঐৰাম বৰিদেৱে ইতিহাসৰ বুকুত বিলীন হৈ যাব ধৰা বৰ্ণাঢ্য মিচিং কৃষ্টি - সংস্কৃতি সংৰক্ষণৰ কাম ১৯৫০ চনৰ বহু আগৰ পৰাই আৰম্ভ কৰিছিল । ১৯৫২ চনৰ পৰা কৃষ্টিপ্ৰাণ এচাম যুৱক - যুৱতীক লগত লৈ মিচিঙৰ মূল্যৱান ঐ নিঃতম , চৌল্লয়া , লৌৰৌলি , ল:লে , কাবান , তৌব: তৌকাং , বৃনি , মিবু আঃবাং ইত্যাদিবোৰৰ প্ৰণালীবদ্ধ চৰ্চা , সংৰক্ষণ আৰু সংবৰ্ধনা কামত হাতে - কামে লাগে । তেওঁৰ লগত সহযোগ কৰা পোন্ধৰগৰাকীৰো অধিক ডেকা -

গাভৰুৰ দল আছিল । বৰিদেৰৰ এই সাংস্কৃতিক দলটিয়ে জোনাই , পাচিঘাটৰ পৰা আৰম্ভ কৰি গুৱাহাটী , যোৰহাট , ডিব্ৰুগড় , মাজুলীলৈকে লোককৃষ্টি প্ৰদৰ্শন কৰি মিচিঙৰ স্বকীয় শৈলীৰে ভৰা বৰ্ণাঢ্য কৃষ্টি - সংস্কৃতিৰ প্ৰসাৰ ঘটালে ।

( ঘ ) যাদৱ পায়েং :- গছ থাকিলেহে মানুহ থাকিব । অৰ্থাৎ গছ আৰু মানুহৰ মাজত এৰাব নোৱৰা সম্পৰ্ক । এই মহাজগতৰ প্ৰাকৃতিক পৰিৱেশ ৰক্ষা কৰাৰ ক্ষেত্ৰত মানুহৰ অতি গুৰু দায়িত্ব আছে । ইয়াৰ বাবে লাগে সদিচ্ছা আৰু পৰিৱেশ ৰক্ষাৰ প্ৰবল হেঁপাহ । এই গুৰু দায়িত্ব বহন কৰি সমগ্ৰ পৃথিৱীৰ মানৱ সমাজক প্ৰকৃতি ৰক্ষাৰ নিৰ্বাক বাণী প্ৰদান কৰিবলৈ আগবাঢ়ি আহিল যোৰহাটৰ ককিলামুখৰ ১ নং মিচিং গাঁৱৰ নিবাসী মাত্ৰ দশম শ্ৰেণীলৈকে পঢ়া শ্ৰীযাদৱ মোলাই পায়েঙ । ১৯৭৯ চনত গছ ৰুবলৈ আৰম্ভ কৰা যাদৱ পায়েঙে যোৱা প্ৰায় চল্লিশটা বৰ্ষ কেৱল গছ ৰুইছে আৰু সেইবোৰ লালন - পালন কৰিছে । লগতে মোলাই কাঠনিত বাস কৰা আৰু চৰিবলৈ অহা জীৱ - জন্তু , চৰাই - চিৰিকতিসমূহো তেওঁ পালন কৰিছে । প্ৰকৃতিপ্ৰেমী আৰু পৰিৱেশকৰ্মী ভাৰতৰ অৰণ্য মানৱ ' যাদৱ পায়েঙৰ অসমৰ তেতিয়াৰ শিৱসাগৰ আৰু বৰ্তমানৰ যোৰহাট জিলাৰ ককিলামুখৰ বৰঘোপ গাঁৱত জন্ম হৈছিল ১৯৫৯ চনৰ ৩০ অক্টোবৰত । ব্ৰহ্মপুত্ৰৰ ত্ৰাসত বাসস্থান সলনি কৰিবলগীয়া হোৱাত বৰ্তমান ককিলামুখৰে ১ নং মিৰি গাঁৱত থিতাপি লয় । তেওঁৰ পিতৃৰ নাম লক্ষীৰাম পায়েং আৰু মাতৃৰ নাম আফুলী পায়েং । পিতৃ - মাতৃৰ ১১ - টা সন্তানৰ ভিতৰত যাদৱ পায়েং তৃতীয় সন্তান । দিচৈ কাষৰ ব্ৰাহ্মণ গাঁৱৰ যদুনাথ বেজবৰুৱাৰ তত্বাৱধানত যাদৱ পায়েঙে ৯০ নং বালি গাঁও প্ৰাথমিক বিদ্যালয়ত শিক্ষাৰ পাতনি মেলিছিল । তেওঁৰ পৰাই পায়েঙে পৰিৱেশ সংৰক্ষণ আৰু জীৱ - জন্তুৰ প্ৰতি প্ৰীতিৰ মনোভাৱৰ আদিপাঠ গ্ৰহণ কৰিছিল ।

## [ ( জ ) মণিপুৰীসকল ]

### পাঠভিত্তিক প্ৰশ্নোত্তৰ

প্ৰশ্ন ১। কেতিয়াৰ পৰা মণিপুৰীসকলে অসমত স্থায়ীভাৱে বসবাস কৰিব আহিছে ?

উত্তৰঃ ১৮১৯ চনত মানৰ আক্ৰমণত তিষ্ঠি থাকিব নোৱাৰি অনেক মণিপুৰী লোক অসমলৈ ভাগি আহে আৰু পিছত নিজৰ ঠাইলৈ ঘূৰি নগৈ অসমতে স্থায়ীভাৱে থাকিবলৈ ল'লে ।

প্ৰশ্ন ২। ভাৰতীয় সংবিধানৰ অষ্টম অনুচ্ছেদত মণিপুৰী ভাষা কিমান চনত অন্তৰ্ভুক্ত হয় ?

উত্তৰঃ ভাৰতীয় সংবিধানৰ অষ্টম অনুচ্ছেদত মণিপুৰী ভাষা ১৯৯২ চনত অন্তৰ্ভুক্ত হয় ।

প্ৰশ্ন ৩। মণিপুৰী বা মীতৈ / মৈতৈ সকলৰ সমাজত সাতোটা য়েক-ছালাইৰ নাম কি কি ?

উত্তৰঃ 'য়েক - ছালাই' অৰ্থ হৈছে খেল বা ফৈদ । মণিপুৰী বা মীতৈ / মৈতৈ সকলৰ সমাজত থকা সাতোটা য়েক - ছালাই হ'ল — মঙাং ( নিংথৌজা ) , লুৱাং , খুমন , মোইৰাং অঙোম , খাবা - ঙানবা আৰু চেংলৈ ।

প্ৰশ্ন ৪। মণিপুৰী বা মীতৈ / মৈতৈ সকলৰ নিজা ঘৰত পূজা - অৰ্চনা কৰা দেৱ দেৱীৰ নাম কি কি ?

উত্তৰঃ মণিপুৰী বা মীতৈ / মৈতৈ সকলৰ নিজা ঘৰত পূজা - অৰ্চনা কৰা দেৱ দেৱীৰ নাম হ'ল- লাইনিংথৌ ছানামহী , ইমা লৈমৰেণ শিদবী ।

প্ৰশ্ন ৫। লাই হৰাওবা কি ? বছৰৰ কি মাহত লাইহৰাওবা উৎসৱ পালন কৰা হয় ? লাহিহৰাওবা উৎসৱত ব্যৱহাৰ কৰা এবিধ বাদ্যযন্ত্ৰৰ নাম লিখা ।

উত্তৰঃ 'লাইহৰাওবা ' মণিপুৰী সকলৰ কৃষিভিত্তিক আৰু লোকাচাৰ জড়িত উৎসৱ । এই উৎসৱ প্ৰতিবছৰে বহাগ মাহত পালন কৰা হয় । লাই হওক উৎসৱত ব্যৱহাৰ কৰা এবিধ বাদ্যযন্ত্ৰ হ'ল 'পেনা' ।

প্ৰশ্ন ৬। মণিপুৰী বা মীতৈ / মৈতৈ সকলৰ কিছুমান নাচৰ নাম লিখা ।

উত্তৰঃ মণিপুৰী বা মীতৈ / মৈতৈ সকলৰ কিছুমান নাচৰ নাম হ'ল- থাবল চোংবি , মাইবী জগগাই ( লাই হাওবা নৃত্য ) আদি ।

প্ৰশ্ন ৭। চমুটোকা লিখা—

( ক ) নাওবিয়া ফুলো ( খ ) নৃত্য গুৰুকে. যতীন্দ্ৰ সিংহ ( গ ) সমাজসেবিকা সৰস্বতী সিংহা , ( ঘ ) নোংথোম্বম বিদ্যাপতি সিংহ ।

উত্তৰঃ ( ক ) নাওবিয়া ফুলো :- আধুনিক মণিপুৰী সাহিত্যৰ বাটকটীয়া ব্যক্তিসকলৰ ভিতৰত নাওৰিয়া ফুলো অন্যতম । অসমৰ হাইলাকান্দি জিলাৰ ৰাজেশ্বৰপুৰ মৌজাৰ 'লাইশ্ৰম খুন' নামৰ গাঁৱত ১৮৮৮ চনৰ ২৮ আগষ্ট তাৰিখে নাওৰিয়া ফুলোৰ জন্ম হয় । তেওঁ নাওৰেম চাওবা আৰু থম্বৌ দেবীৰ পঞ্চম সন্তান । জন্মতে কুন্দত কটা যেন সুন্দৰ - সুঠাম শিশুটিক ককাকে নাম দিলে 'ফুন্দ্ৰেই' অৰ্থাৎ কুন্দ । পঢ়াশালীৰ শিক্ষকে সুকোমল এপাহ ফুলৰ দৰে ধুনীয়া ল'ৰাটিৰ নাম ৰাখিলে 'ফুলো' ।

নাওৰিয়া ফুলোই শিক্ষকতা কৰি থকা সময়ৰ পৰাই সাহিত্য চৰ্চা আৰম্ভ কৰে অনুবাদেৰে । ১৯১৮ ৰ পৰা ১৯১৯ চনলৈকে হিন্দু উপাখ্যানৰ কাহিনীৰে মুঠ পাঁচখন নাটক ৰচনা কৰে । সেইসমূহ ( ১ ) 'ইনিংথৌ হৰিচন্দ্ৰ' — ( ৰজা হৰিচন্দ্ৰ ) ( ২ ) 'সীতা বনবাস' ( ৩ ) 'ৰামনা বনবাসতগী হলহলকলবদা ' — ( বনবাসৰ পৰা ৰামৰ প্ৰত্যাৱৰ্তনত ) ( ৪ ) 'দুষ্মন্ত শকুন্তলা' ( ৫ ) শ্ৰৱণ কুমাৰ । পৰৱৰ্তী সময়ত— ( ১৯৩০-১৯৪০ ) ১১ বছৰৰ ভিতৰত কবিতা আৰু নিবন্ধৰ মুঠ ১৯ - খন গ্ৰন্থ ৰচনা কৰে ।

( খ ) নৃত্য গুৰুকে. যতীন্দ্ৰ সিংহ :- বিশ্ব ভাৰতী শান্তিনিকেতন সংগীত ভৱনৰ অৱসৰপ্ৰাপ্ত অধ্যক্ষ বৰেণ্য নৃত্যশিল্পী নৃত্যগুৰু অধ্যাপক কে . যতীন্দ্ৰ সিংহৰ জন্ম হয় ১৯৪৩ চনত এপ্ৰিল মাহৰ ২২ তাৰিখে অসমৰ কাছাৰ জিলাৰ লক্ষীমপুৰত । গুৰু কে . যতীন্দ্ৰ সিংহ , মণিপুৰীনট - সংকীৰ্তন গুৰু কে . কামিনী সিংহ আৰু শ্ৰীমতীপশোংলৈমা দেৱীৰ সুপুত্ৰ।ল'ৰালিৰে পৰা তেওঁ আছিল অতি নম্ৰ , বিনয়ী , সংগীত তথা নৃত্যপ্ৰেমী । বংশৰ ঐতিহ্যৰ ধাৰাবাহিকতা অক্ষুন্ন ৰাখি শৈশৱতেই পিতৃ আৰু কে . কামিনী সিংহৰ পৰা নট - সংকীৰ্তন আৰু নৃত্যৰ আদিপাঠ গ্ৰহণ কৰে । পৰৱৰ্তী সময়ত সেই সময়ৰ মণিপুৰ ৰাজ্যৰ প্ৰখ্যাত নৃত্যগুৰু , গুৰু লোকেশ্বৰ , গুৰু অমুবী আৰু গুৰু অতোম্বাৰ পৰা নৃত্যৰ তালিম লৈছিল ।

গুৰু কে . যতীন্দ্ৰ সিংহক ২০০৬ চনত মণিপুৰী সাহিত্য পৰিষদ , অসমে 'নৃত্যগুৰু',২০১০ খ্ৰীষ্টাব্দত ৰাজকুমাৰ বুদ্ধিমন্ত মেমৰিয়েল ডান্স একাডেমী ত্ৰিপুৰাই 'ৰাজকুমাৰ মেমোৰিয়েল এৱাৰ্ড', আৰু ২০১২ চনত মণিপুৰী সাহিত্য পৰিষদ , ইম্ফলে 'নৃত্যৰত্ন' উপাধিৰে সন্মানিত কৰে ।
মণিপুৰী নৃত্যৰ বিৰল প্ৰতিভাৰ অধিকাৰী বৰেণ্য শিল্পী নৃত্যগুৰু কে . যতীন্দ্ৰ সিংহই যোৱা ২ এপ্ৰিল ২০১৮ চনত সোমবাৰে ৰাতি শান্তিনিকেতনৰ অবল পল্লীৰ নিজা বাসগৃহত ইহলীলা সম্বৰণ কৰে ।

( গ ) সমাজসেবিকা সৰস্বতী সিংহা :- অসম আন্দোলৰ নেত্ৰী , সমাজসেবিকা , সৰস্বতী সিংহা ১৯৫৮ চনৰ ৮ চেপ্তেম্বৰত হোজাই জিলাৰ লংকা অঞ্চলৰ আমপুখুৰী গাঁৱৰ এটা কৃষক পৰিয়ালত জন্ম গ্ৰহণ কৰে । পিতৃৰ নাম ৱাহেংবম জয়চন্দ্ৰ সিংহ আৰু মাতৃৰ নাম ৱাহেংবম ফজবী দেবী ।

আমপুখুৰী নিম্ন প্ৰাইমাৰী স্কুলৰ পৰাই শিক্ষাৰ্থী জীৱনৰ আৰম্ভ কৰে । কাশীপুৰ এম ভি স্কুলৰ পৰা বৃত্তিসহ এম . ভি পাছ কৰাৰ পাছত , লংকা ৰাষ্ট্ৰভাষা হাইস্কুলৰ পৰা ১৯৭৬ চনত পৰীক্ষাত উত্তীৰ্ণ হয় । নগাঁও গাৰ্লচ কলেজৰ পৰা ১৯৮১ চনত বি . এ . পাছ কৰে । কিছু বছৰৰ বিৰতিৰ পিছত ১৯৯৩ চনত নগাঁও আইন মহাবিদ্যালয়ৰ পৰা আইনৰ স্নাতক উপাধি লাভ কৰে ।

১৯৮২ চনত অসম চৰকাৰৰ সমাজ কল্যাণ বিভাগত অঙ্গনৱাড়ী কৰ্মী হিচাপে কৰ্ম জীৱনৰ আৰম্ভ কৰে । কিছুদিনৰ পিছত আমপুখুৰী এল পি স্কুলত শিক্ষক হিচাপে যোগদান কৰে । ১৯৮৫ চনৰ ১৪ ছেপ্তেম্বৰত শিক্ষকতাৰ পৰাও অব্যাহতি লয় । তেওঁৰ সমাজসেৱাৰ জীৱনজোৰা অৱদানৰ কাৰণে মণিপুৰী সাহিত্য পৰিষদ , অসমে ২০১২ চনত ' সমাজসেবিকা ' উপাধি আৰু বঁটাৰে বিভূষিত কৰে । ২০১২ চনৰ ৫ ডিচেম্বৰত তেওঁ ইহলীলা সম্বৰণ কৰে ।

( ঘ ) নোংথোম্বম বিদ্যাপতি সিংহ :- মণিপুৰৰ বাহিৰত থকা মণিপুৰীসকলৰ প্ৰথম এম . এল . এ . নোংথোম্বম বিদ্যাপতি সিংহ এজন বহুমুখী প্ৰতিভাসম্পন্ন ব্যক্তি আছিল । তেওঁ ১৯১২ চনৰ ২৪ নবেম্বৰ তাৰিখে বৰ্তমান হাইলাকান্দি জিলাৰ লালা চহৰত জন্মগ্ৰহণ কৰিছিল । তেওঁৰ পিতৃ স্বৰ্গীয় ললিত সিংহ এজন কবিৰাজ আৰু জ্যোতিষী

আছিল। মাতৃ স্বৰ্গীয়া মাইচন দেবী অসমত থকা মণিপুৰীসকলৰ প্ৰথম ডেপুটী ইন্সপেক্টৰ হিজমৰমন সিংহৰ বায়েক আছিল। তেওঁ ১৯৩১ চনত কলিকাতা বিশ্ববিদ্যালয়ৰ অধীনত প্ৰথম বিভাগত মেট্ৰিক পাছ কৰি পিছত শিলেটৰ মুৰাৰীচান্দ কলেজৰ পৰা ইন্টাৰমিডিয়েট পাছ কৰে। উক্ত কলেজৰ পৰা ১৯৩৫ চনত ঢাকা বিশ্ববিদ্যালয়ৰ অধীনত বুৰঞ্জীত অনাৰ্চসহ বি . এ . পাছ কৰে।

নোংথোম্বম বিদ্যাপতি সিংহই ১৯৩৬ চনত কাছাৰ জিলাৰ সোনাই এম . ই . স্কুলত ইংৰাজী শিক্ষকৰূপে যোগদান কৰে। সেই সময়ত সোনাই অঞ্চলত এম . ই . পাছ কৰাৰ পিচত হাইস্কুল পঢ়াৰ কোনো সুবিধা নাছিল। সেয়ে তেওঁৰ প্ৰচেষ্টাত সোনাই এম . জি . স্কুলত হাইস্কুল স্থাপন কৰি হাইস্কুলীয়া শিক্ষাৰ অভাৱ দূৰ কৰে।

## [ ( ঝ ) ৰাভাসকল ]

## পাঠভিত্তিক প্ৰশ্নোত্তৰ

প্ৰশ্ন ১। ৰাভাসকলৰ আদি বাসভূমি ক'ত আছিল ?

উত্তৰঃ ৰাভাসকলৰ আদি বাসভূমি গাৰোপাহাৰৰ ‘ 'ফুলবাৰী'ৰ পৰা দক্ষিণ কামৰূপৰ ৰাণীলৈকে , গাৰো পাহাৰ খাচীয়া পাহাৰ জিলাৰ উত্তৰ সীমাবৰ্তী অঞ্চল আছিল , বৰ্তমানেও এই অঞ্চলবোৰত এওঁলোকৰ বসতি আছে।

প্ৰশ্ন ২। সামাজিক ফালৰ পৰা ৰাভাসকল কি কি শাখাত বিভক্ত ?

উত্তৰঃ সামাজিক ফালৰ পৰা ৰাভাসকল ৰংদানী , পাতি , দাহৰী মায়তৰী , কোচ , বিতলীয়া , হাদা , মদাহী আদি শাখাত বিভক্ত।

প্ৰশ্ন ৩। ৰাভা সংস্কৃতিৰ প্ৰতীক কি ?

উত্তৰঃ ৰাভা সংস্কৃতিৰ প্ৰতীক হ’ল— ‘মান চেলেংকা’ বা ‘মাছৰোকা ’ চৰাই।

প্ৰশ্ন ৪। ৰাভাসকলৰ প্ৰধান দেৱতা কি ?

উত্তৰঃ ৰাভাসকলৰ প্ৰধান দেৱতা ৰিছি বা মহাদেৱ।

প্ৰশ্ন ৫। ৰাভাসকলৰ প্ৰধান পূজাটোৰ নাম কি ?

উত্তৰঃ ৰাভাসকলৰ প্ৰধান পূজাটোৰ নাম 'ব্যায়খো'।

প্ৰশ্ন ৬। চমুটোকা লিখা—

( ক ) বিষ্ণু ৰাভা ( খ ) ৰাজেন ৰাভা ( গ ) প্ৰসন্ন পাম ( ঘ ) বীৰু বালা ৰাভা

উত্তৰঃ ( ক ) বিষ্ণু ৰাভা :- কবি , সাহিত্যিক , নাট্যকাৰ , সংগীতজ্ঞ , নৃত্যবিদ , অভিনেতা বিষ্ণুপ্ৰসাদ ৰাভাৰ জন্ম হৈছিল ঢাকা মহানগৰীৰ সেনা ছাউনীত ১৯০৯ চনৰ ৩১ জানুৱাৰীত। চৰ্দাৰ বাহাদুৰ গোপাল চন্দ্ৰ ৰাভা আৰু গেথী বালা ৰাভাৰ পুত্ৰ বিষ্ণু প্ৰসাদ ৰাভা কলাগুৰু ’ নামেৰে জনাজাত। বিষ্ণু ৰাভাৰ প্ৰাথমিক শিক্ষা আৰম্ভ হৈছিল ঢাকাৰ এখন প্ৰাথমিক বিদ্যালয়ৰ ইংৰাজী মাধ্যমত। কিন্তু দেউতাকে পিছত বঙালী মাধ্যমত ভৰ্তি কৰায় যদিও পিছলৈ তেজপুৰলৈ আহি অসমীয়া মাধ্যমত শিক্ষা গ্ৰহণ কৰে।

১৯২৬ চনত তেজপুৰ হাইস্কুলৰ পৰা জিলাৰ ভিতৰতে প্ৰথম হৈ প্ৰৱেশিকা পাছ কৰি 'কুইন এমপ্ৰেছ ’ পদক লাভ কৰিছিল। হাইস্কুলীয়া শিক্ষা জীৱনৰ পৰাই বিষ্ণুৰাভা আগশাৰীৰ খেলুৱৈ আছিল। ফুটবল , ক্ৰিকেট , হকী খেলাৰ উপৰিও সুন্দৰ গীত গায় , নাচে , অভিনয় কৰে , চিত্ৰ আঁকে। ইয়াৰ লগতে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ প্ৰতিও

তেওঁৰ প্ৰৱল আসক্তি আছিল। পিছত তেওঁ কলকতালৈ গুচি গৈ তাতে হাতত কলম তুলি লৈ 'আৱাহন', বাঁহীৰ পাতত লিখিবলৈ আৰম্ভ কৰি অসমীয়া সাহিত্যপ্ৰেমীৰ মাজত ন - কৈ চিনাকি হ'ল — বিষ্ণু প্ৰসাদ ৰাভা।

( খ ) ৰাজেন ৰাভা :- কৃতী শিক্ষক , প্ৰথিতযশা সাহিত্যিক , আজীৱন গৱেষক ৰাজেন ৰাভাৰ জীৱন আৰু কৃতি বিশাল। 'অভিধানেই মোৰ গুৰু' বুলি কোৱা ৰাজেন ৰাভাই 'ৰাভা সাধু', ৰাভা জনজাতি' আদিৰ উপৰিও দুকুৰিৰো অধিক প্ৰৱন্ধৰে অসমীয়া সাহিত্য চহকী কৰি থৈ গৈছে। ১৯২০ চনৰ ১৮ ছেপ্তেম্বৰত দুধনৈত জন্মগ্ৰহণ কৰা ৰাজেন ৰাভা এম ই স্কুলৰ পৰা ওলাই মাত্ৰ পাঁচ টকা পাৰিতোষিকেৰে এখন মাৰোৱাৰী দোকানত জীৱিকাৰ বৃত্তি গ্ৰহণ কৰি নিজ সংকল্পৰ দৃঢ়তাৰ বাবেই প্ৰাইভেটকৈ মেট্ৰিক ( ১৯৫৫ ) , আই , এ . আৰু শেষত অসমীয়া বিভাগত এম এ পৰীক্ষাত ( ১৯৭১ ) উত্তীৰ্ণ হৈ ৰাভা আৰু সমাজ - সংস্কৃতি বিষয়ত অধ্যয়ন কৰিবলৈ লয়। আজীৱন সাহিত্য - সাধক , সমাজ আৰু মানৱপ্ৰেমী ৰাজেন ৰাভাৰ বৰ্ণাঢ্য জীৱনৰ প্ৰথমছোৱা কাল আছিল দুখ আৰু কষ্টকৰ। সেই সময়তে 'উদয়ন' নামৰ তিনিমহীয়া আলোচনী এখন উলিয়ায়। তেওঁ স্বাধীনতা আন্দোলনতো যোগদান কৰি 'কৰিম কিম্বা মৰিম' বাহিনীত ভৰ্তি হৈছিল।

তেওঁক অসম চৰকাৰে সাহিত্যিক পেঞ্চন প্ৰদান কৰাৰ লগতে ১৯৪৬ চনত ৰাষ্ট্ৰীয় কৃতী শিক্ষকৰো বঁটা প্ৰদান কৰে।

( গ ) প্ৰসন্ন পাম :- ৰাভা কৃষ্টিৰ ৰূপকাৰ প্ৰসন্ন পামৰ জন্ম হৈছিল ১৯৩২ চনৰ ২০ তাৰিখে গোৱালপাৰা জিলাৰ বালিজান চক্ৰৰ অন্তৰ্গত লাতাপাৰা গাঁৱত। পিতৃ কমল কুমাৰ ৰাভা আৰু মাতৃ দাখেল বালা ৰাভা। পূব গাৰো পাহাৰ জিলাৰ মাণিকগঞ্জ প্ৰাথমিক বিদ্যালয়ত শিক্ষা - জীৱন আৰম্ভ কৰা প্ৰসন্ন পাম আগিয়া এম . ভি . স্কুলৰ পৰা উত্তীৰ্ণ হয়।

ৰাভা কৃষ্টিৰ ৰূপকাৰ প্ৰসন্ন পাম সৰুৰে পৰা ৰাভা কৃষ্টিৰ সাধনাত ব্ৰতী হৈ পৰিছিল। অনাতাঁৰ শিল্পী হিচাপে সুখ্যাতি লাভ কৰা পামে বহু গীত ৰচনা কৰি সুৰ সৃষ্টি কৰিছিল। এইবোৰ গীতৰ কথা আৰু সুৰে সাম্প্ৰতিক সময়লৈকে অতি জনপ্ৰিয় হৈ আছে। 'দদান বীৰ' নাটকৰ জৰিয়তে জনপ্ৰিয় হোৱা প্ৰসন্ন পামৰ 'মাৰুক্ষেত্ৰী', ( নাটক ) , সৃষ্টিবিধান', 'ময়ৰা শক্তি', 'লাঙামুক্তি', 'কামগিৰি শক্তি', 'পিদান সংসাৰ', 'মায়া হাছুং', 'লেখা তেৰা জমা তংচা ' ইত্যাদি গ্ৰন্থ অপ্ৰকাশিত অৱস্থাত ৰৈ আছে।

সমগ্ৰ জীৱন ৰাভা কৃষ্টি অক্লান্তভাৱে সাধনা কৰা প্ৰসন্ন পাম ১৯৫২ চনত অমনী বালা ৰাভাৰ স'তে বিবাহ পাশত আবদ্ধ হৈ চাৰিজন ল'ৰা আৰু তিনিজনী ছোৱালীৰ পিতৃ হয়। ২০-০২-১৯৭৮ ইং তাৰিখে এক নিৰ্বাচনী প্ৰচাৰৰ সহযোগী হৈ ঘূৰি ফুৰোঁতে মটৰ দুৰ্ঘটনাত এইজনা মহান শিল্পীৰ জীৱন অকালতে নিয়তিয়ে কাঢ়ি নিলে।

( ঘ ) বীৰু বালা ৰাভা :- ডাইনী হত্যাৰ দৰে অন্ধবিশ্বাসক সমাজৰ পৰা দূৰ কৰি এক সুস্থ সমাজ গঢ়াৰ আপ্ৰাণ চেষ্টাৰে নিজকে উৎসৰ্গিত কৰা সংগ্ৰামী নেত্ৰী বীৰুবালা ৰাভা।

গোৱালপাৰা জিলাৰ ঠাকুৰবিলা নামৰ ভিতৰুৱা গাঁও এখনত ১৯৪৯ চনত জন্ম লাভ কৰা বীৰুবালা ৰাভাৰ পিতৃৰ নাম আছিল কালিয়াৰাম ৰাভা আৰু মাতৃৰ নাম সাগৰবালা ৰাভা। প্ৰাথমিক বিদ্যালয়ৰ ৩ য় শ্ৰেণীলৈ পঢ়ি মাত্ৰ ১৫ বছৰ বয়সতে বিবাহ পাশত আবদ্ধ হোৱা বীৰুবালা ৰাভাৰ কৰ্মজীৱনৰ আৰম্ভণি আছিল বোৱা-কটা কামৰ জৰিয়তে। অবিৰামভাৱে এই কামত লাগি থকা বীৰুবালা ৰাভাই তেওঁৰ কামৰ স্বীকৃতি হিচাপে লাভ কৰা বঁটা আৰু স্বীকৃতিসমূহ তলত উল্লেখ কৰা হ'ল :
২০০৫ চনত :- শান্তিৰ নবেল বঁটালৈ মনোনয়ন। ২০০৫ চনত :- Real Hero স্বীকৃতি , IBN 18 Network and Reliance Group .
২০১১ চনত :- সমাজপ্ৰাণ সৰ্বেশ্বৰ দত্ত মেমোৰিয়ল বঁটা পুৰস্কাৰ প্ৰদানেৰে 'সমাজপ্ৰাণ' পুৰস্কাৰ।
২০১১ চনত :- উৰ্মিলা দাস মেমোৰিয়েল বঁটা। ২০১২ চনত :- ডিব্ৰুগড় মহিলা ক্লাবৰ 'জয়মতী' বঁটা প্ৰদান।
২০১৩ চনত :- ইংথং ৰেলফেয়াৰ ছ'ছাইটি কোকৰাঝাৰ জিলাৰ দ্বাৰা 'মেন অৱ দা ইয়াৰ বঁটা।
২০১৪ চনত :- শিৱসাগৰ সোণাৰী টাই আহোম যুৱ পৰিষদৰ দ্বাৰা 'বীৰাংগনা মূলাগাভৰু' বঁটা। গুৱাহাটী বিশ্ববিদ্যালয়ৰ দ্বাৰা বীৰুবালা ৰাভাক সন্মানীয় ডক্টৰেট ডিগ্ৰী প্ৰদান কৰা হয় ২০১৫ চনত।
বৰ্তমান 'Mission Birubala'- ৰ জৰিয়তে ডাইনী হত্যাৰ দৰে অন্ধবিশ্বাসৰ বিৰুদ্ধে অহৰহভাৱে কাম কৰি আছে।

**[ ( ঞ ) সোণোৱাল কছাৰীসকল ]**

**পাঠভিত্তিক প্ৰশ্নোত্তৰ**

প্ৰশ্ন ১। ডিমাচা ভাষাত সোণোৱাল মানে কি ?

উত্তৰঃ ডিমাচা ভাষাত সোণোৱাল মানে হ'ল- উজ্জ্বল আৰু ঐশ্বৰ্যশালী ।

প্ৰশ্ন ২। সোণণাৱাল কছাৰীসকল কি ধৰ্মৰ উপাসক আছিল ?

উত্তৰঃ সোণণাৱাল কছাৰী সকল শাক্ত বা পুৰাতন ধৰ্মৰ উপাসক আছিল ।

প্ৰশ্ন ৩। সোণাৱাল কছাৰীসকলৰ লোক-সাহিত্য সমূহৰ বিষয়ে লিখা ।

উত্তৰঃ মুখে মুখে বাগৰি অহা , মুখে মুখে ৰচনা কৰা পুৰণি নাম , পদ , মালিতা ফকৰা যোজনা , সাধুকথা ইত্যাদি সোনোৱাল কছাৰীসকলৰ উল্লেখযোগ্য লোক বা চহা সাহিত্য । বৰ্তমানলৈ প্ৰাপ্ত লোক - সাহিত্য সমূহৰ ভিতৰত হায়দাং গীত , হুচৰি গীত , বহুৱা নৃত্যৰ গীত , আইনাম , ধাইনাম , লখিমী নাম , অপেশ্বৰীৰ নাম , গোসাঁইৰ নাম , ফুলকোঁৱৰ মণিকোঁৱৰৰ গীত , জনাগাভৰুৰ গীত , মৰণামৰা গীত , বিহুগীত , ওৰাচিয়া গীত আদিয়েই প্ৰধান ।

প্ৰশ্ন ৪। সোপোৱাল কছাৰীসকলৰ সমাজ পদ্ধতিৰ বিষয়ে চমুকৈ বৰ্ণনা কৰা ।

উত্তৰঃ সোণোৱাল কছাৰীসকলৰ প্ৰথম পৰিচয় সঁচ বা পৰিয়াল , বংশ , খেল আৰু কুচীয়া । বৰ্তমান সোণোৱাল কছাৰীৰ মাজত ১৩৫ টা সঁচ আছে । ইয়াৰে চাৰিটা ততোধিক সঁচ মিলি একোটা বংশ হয় । এওঁলোকৰ মাজত সৰ্বমুঠ ২৫ টা বংশ আছে । ইয়াৰে চৈধ্যটা বংশক নিৰ্বাচন কৰি কছাৰীৰ ৰাষ্ট্ৰনায়ক মাণিকে হালালী ৰাজ্য পৰিচালনা কৰিছিল । সোণোৱাল কছাৰীৰ বিবাহৰ ক্ষেত্ৰত প্ৰথমে সঁচ আৰু বংশ বিচাৰ কৰা হয় । একেই সঁচ বা বংশৰ মানুহ একে ঘৰৰ ভাই - ককাই হিচাপে গণ্য কৰা হয় ।

প্ৰশ্ন ৫। সোণণাৱাল কছাৰীসকলক কিয় দ্বৈত ধৰ্মৰ বুলি কোৱা হয় ?

উত্তৰঃ সোণোৱাল কছাৰীসকল ৮৩০ খ্ৰীষ্টাব্দৰ পৰা শাক্ত বা পুৰাতন ধৰ্মৰ উপাসক আছিল ; ১৬৮১ চনত আহোমৰ স্বৰ্গদেৱ গদাপাণিৰ ৰোষত পৰি শ্ৰীশ্ৰীকেশৱ দেৱ গোস্বামীদেৱে শদিয়াৰ সোণোৱালসকলৰ অধ্যুষিত অঞ্চল আঁঠুকঢ়া চাপৰি , বৰ্তমান কুণ্ডিল আৰু ব্ৰহ্মপুত্ৰৰ অৱবাহিকা অঞ্চলত আত্মগোপন কৰি থাকোতে অতি কৌশলেৰে সোণোৱাল । কছাৰীসকলক শৰণ দিয়াই দ্বৈত ধৰ্মত বিভাজন কৰিলে । সত্ৰাধিকাৰৰ ওচৰত শৰণ লোৱা সকলক হিন্দুৰীয়া আৰু শৰণ লোৱা সকলক বেহাৰী বুলি নামকৰণ কৰিলে । সেই সময়ৰ পৰাই সোণোৱাল সকলৰ মাজত ‘গোসাঁই নাম' অন্তৰ্ভুক্ত হয় । সত্ৰাধিকাৰে শৰণ দিয়ালেও সম্প্ৰতি সোণোৱাল কছাৰীসকল দ্বৈতধৰ্মী ।

প্ৰশ্ন ৬। চমুটোকা লিখা

( ক ) গগণ চন্দ্ৰ সোণোৱাল ( খ ) পৰশুৰাম সোণোৱাল ( গ ) যোগেশ দাস ( ঘ ) যোগেন্দ্ৰনাথ হাজৰিকা ।

উত্তৰঃ ( ক ) গগণ চন্দ্ৰ সোণোৱাল :- সাহিত্য - সংস্কৃতিৰ সাধক গগন চন্দ্ৰ সোনোৱালে তিনিচুকীয়া জিলাৰ বৰহাপজানৰ সমীপৰ শুকানগুৰি চাহবাগিছাত ১৯২৬ চনত ২৪ ডিচেম্বৰ তাৰিখে জন্মগ্ৰহণ কৰে । ডাঙৰী গাঁৱৰ তিলক সোনোৱাল তেওঁৰ পিতৃ আৰু মাতৃ অদিতি সোনোৱাল ।

মাকুম প্ৰাথমিক বিদালয়ত তেওঁৰ শিক্ষা - জীৱন আৰম্ভ হয় । তাৰ পাছত যথাক্ৰমে ডাঙৰী মধ্য ইংৰাজী বিদ্যালয়ত পঢ়ে আৰু ডাঙৰী ইংৰাজী বিদ্যালয়ৰ পৰা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হয় । ডিব্ৰুগড়ৰ উচ্চ শিক্ষাৰ কেন্দ্ৰ ডিব্ৰুগড় হনুমান বক্স কানৈ কলেজৰ পৰা কলা শাখাত প্ৰাক্ - স্নাতক পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পাছত তেওঁৰ শিক্ষা - জীৱনৰ সিমানতে সামৰণি পৰে ।

তেওঁ বিদ্যালয়ৰ হাতে লেখা আলোচনীৰ পাততেই ১৯৪২ চনত 'মানৱ সভ্যতা আৰু ক্ৰমবিকাশ’ প্ৰবন্ধটো এঘাৰ বছৰ বয়সত লিখিছিল । সেই কালৰ জনাজাত গুৱাহাটীৰ তৰুণ লেখক সংঘ'ৰ প্ৰথম প্ৰকাশিত মুখপত্ৰ ‘তৰুণ জাগৰণত‘ 'সোনোৱাল কছাৰীৰ’ হায়দাং গীত প্ৰকাশ কৰিছিল । তেওঁ ৰচনা কৰা একৈশটা সাধুকথা অসম সাহিত্য সভাই ‘সোনোৱালৰ সাধু’ নামেৰে ১৯৭৮ চনত প্ৰকাশ কৰে । সোনোৱালদেৱৰ উৎকৃষ্ট নিদৰ্শনৰূপে বৰ্তমানলৈকে প্ৰকাশ হৈছে বিভিন্ন বিষয়ৰ — যেনে ( ১ ) সোনোৱাল কছাৰীসকলৰ ঐতিহ্য ’ ( ২ ) ‘ অসমৰ সংস্কৃতিত সোনোৱালসকলৰ

অৱদান ' চৌবিশটা মৌলিক প্ৰবন্ধ ( ৩ ) লোকসাহিত্য - সংগ্ৰহ , যেনে গীত - মাত , হায়দাং হুঁচৰি আইনাম , অপেচৰা নাম , লখিমী নাম ইত্যাদি । ( ৪ ) অন্যান্য ৰচনাৱলীত আছে তেৰটা অমূল্য নিৱন্ধ ,( ৫ ) ভাষাণাৱলীত সন্নিবিষ্ট হৈছে ঊনৈশটা ভাষণ , ( ৬ ) ছয়টা কবিতা — প্ৰভৃতি বিচিত্ৰ সাহিত্যকৰ্মই গগন চন্দ্ৰ সোনোৱাল দেৱৰ জীৱনৰ কীৰ্তি । সাংস্কৃতিক জীৱনৰ গুৰু বিষ্ণুপ্ৰসাদ ৰাভাৰ সৈতে লগ লাগি সোনোৱাল কছাৰীৰ সমাজ জীৱনৰ ইতিহাস স্বৰূপ 'হুঁচৰি গীত' ছৈখোৱাৰ বিহুনী গাঁৱৰ পৰা ১৯৪২ চনত সংগ্ৰহ কৰিছিল ।

( খ ) পৰশুৰাম সোণোৱাল :- পৰশুৰাম সোনোৱালৰ জন্ম হয় ১৯০৪ চনৰ ২৫ মে' তাৰিখে নগাঘুলি চাহ বাগিছাত । তেওঁৰ পিতৃৰ নাম আছিল পঞ্চানন সোনোৱাল আৰু মাতৃ আছিল গুটিমালা সোনোৱাল । গ্ৰেহেম বজাৰ নিম্ন বুনিয়াদী পাঠশালাত পৰশুৰাম সোনোৱাদেৱে প্ৰাথমিক শিক্ষাৰ শুভাৰম্ভ কৰে । সুখ্যাতিৰে সেই স্কুলৰ পৰা উত্তীৰ্ণ হয় আৰু চৰকাৰী ল'ৰাৰ উচ্চ মাধ্যমিক বিদ্যালয়ত নাম লগায় । আৰু সেই স্কুলৰ পৰাই তেওঁ ১৯২৪ চনত প্ৰথম বিভাগত মেট্ৰিক পাছ কৰে আৰু কটন কলেজৰ পৰা আই . এ . কলা শাখাত প্ৰথম বিভাগত উত্তীৰ্ণ হৈ কলিকতাৰ প্ৰেছিডেন্সী কলেজত নাম লগায় । সেই কলেজৰ পৰা ১৯২৮ চনত বুৰঞ্জীত সন্মানসহ বি . এ.- ত প্ৰথম শ্ৰেণী লাভ কৰি উত্তীৰ্ণ হয় । ১৯৩২ চনত তেওঁ ' ইউনিভাৰ্চিটি অব কলকাতা'ৰ পৰা বুৰঞ্জী বিভাগত স্নাতকোত্তৰ প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান লাভ কৰাৰ লগতে একে সময়তে সেই বিশ্ববিদ্যালয়ৰ পৰা এল . এল . বি.- ত প্ৰথম শ্ৰেণীৰ দ্বিতীয় স্থান লাভ কৰিবলৈ সক্ষম হৈছিল ।

পৰশু সোনোৱাল কেৱল যে এজন বিদ্যায়তনিক দিশতে পাৰ্গত আছিল সেয়া নহয় । তেওঁ এজন এনে ব্যক্তি আছিল , যিয়ে ক্ৰীড়া , সংগীত সাধনা , লেখক ( গল্প , প্ৰৱন্ধ ) আদিৰ লগতে সুকুমাৰ কলাতে সিদ্ধহস্ত আছিল । তেওঁৰ গল্প আদি সেই সময়ত প্ৰকাশিত Illustrated Weekly of India আলোচনীত সঘনে প্ৰকাশিত হৈছিল আৰু প্ৰয়োজনীয় চিত্ৰসমূহৰ স্কেচ নিজে আঁকিছিল ।

( গ ) যোগেশ দাস :- প্ৰাতঃস্মৰণীয় শিক্ষাবিদ আৰু প্ৰখ্যাত সাহিত্যিক যোগেশ দাসৰ জন্ম হৈছিল ১৯২৭ চনত ডুমডুমাৰ হাঁহচৰা চাহ - বাগিছাত । তেওঁৰ পিতৃৰ নাম সূৰ্যকান্ত দাস আৰু মাতৃৰ নাম আছিল চিন্তামণি দাস । চাহ বাগিছাৰ নয়নাভিৰাম প্ৰাকৃতিক পৰিবেশত ডাঙৰ - দীঘল হোৱা যোগেশ দাসে চাহ - বাগিছাৰ প্ৰাথমিক বিদ্যালয়তে শিক্ষা - জীৱন আৰম্ভ কৰে । ডুমডুমা মজলীয়া বিদ্যালয়ৰ পৰা সুখ্যাতিৰে উত্তীৰ্ণ হৈ ডিব্ৰুগড় জৰ্জ - ইনষ্টিটিউশন , বৰ্তমান বাগ্মীবৰ নীলমণি ফুকন উচ্চতৰ মাধ্যমিক বিদ্যালয়ত হাইস্কুলীয়া শিক্ষা গ্ৰহণ কৰে । ১৯৫৪ চনত অতি সুখ্যাতিৰে প্ৰবেশিকা পৰীক্ষাত উত্তীৰ্ণ হয় । ১৯৪৯ চনত কটন কলেজৰ পৰা স্নাতক উপাধি লাভ কৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৫৩ চনত স্নাতকোত্তৰ উপাধি লাভ কৰে । ছাত্ৰ অৱস্থাৰ পৰাই তেওঁ গল্প ৰচনা কৰি এগৰাকী পৈণত গল্পকাৰৰ পৰিচয় দিছিল । ১৯৫৩ চনতেই তেওঁ ৰচনা কৰা উপন্যাস ' সঁহাৰি পাই ' প্ৰকাশ হৈছিল ।

( ঘ ) যোগেন্দ্ৰনাথ হাজৰিকা :- অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী যোগেন্দ্ৰ নাথ হাজৰিকা অসমৰ জনসাধাৰণৰ মাজত যোগেন হাজৰিকা নামেৰে অধিক জনাজাত । মানুহজন সকলো গুণেৰে বিভূষিত , পিন্ধনত বগা খদ্দৰৰ পোছাক , সুন্দৰ শাৰীৰিক গঠন , ধীৰ - স্থিৰ , গম্ভীৰ , সকলো ক্ষেত্ৰতে পৰিপাটি , কথা - বতৰাত অতি সংযম , অতি ভদ্ৰ আচাৰ - ব্যৱহাৰ , বুদ্ধিদীপ্ত ব্যক্তিত্বশীল গুণেৰে সমৃদ্ধ এগৰাকী গৌৰ বৰণৰ ওখ - পাখ সহজতে সকলোকে আকৰ্ষণ কৰিব পৰা সভা শুৱনি ব্যক্তি । নিয়ৰৰ টোপালৰ দৰে অতি পবিত্ৰ অন্তৰ তেওঁৰ চৰিত্ৰৰ ভূষণ ।

তেওঁ আছিল একেধাৰে কৃতী ছাত্ৰ , আদৰ্শ সমাজবাদী , সু - সংগঠক , সু - লেখক , বুদ্ধিজীৱী , আলোচনী সম্পাদক , আইনবিদ , সু - দক্ষ সাংসদ , ভাৰতৰ প্ৰথমগৰাকী বহিঃপৰিক্ৰমা বিভাগৰ সংসদীয় সচিব , চতুৰ ৰাজনীতিবিদ , বিধায়ক , দক্ষ প্ৰশাসক , বিধান সভাৰ অধ্যক্ষ তথা অসমৰ প্ৰাক্তন মুখ্যমন্ত্ৰী ।

অসমৰ ডিব্ৰুগড় জিলাৰ টেঙাখাত অঞ্চলৰ পুৰণিখণ্ডীয়া গাঁৱত ১৯২৪ চনৰ ২৪ ফেব্ৰুৱাৰী তাৰিখে এটি দৰিদ্ৰ পৰিয়ালত যোগেন হাজৰিকাদেৱৰ জন্ম হৈছিল । তেওঁৰ পিতৃ - মাতৃ ক্ৰমে গোলাপ চন্দ্ৰ হাজৰিকা আৰু ৰত্না হাজৰিকা আছিল । তেওঁৰ পত্নী বীণা হাজৰিকা আৰু একমাত্ৰ পুত্ৰ মনজিৎ হাজৰিকা ।

## [ ( ট ) হাজংসকল ]

### পাঠভিত্তিক প্ৰশ্নোত্তৰ

প্ৰশ্ন ১। হাজংসকল কোন জনগোষ্ঠীৰ লোক ?

উত্তৰঃ হাজংসকল নৃতাত্বিক সকলৰ মতে ইণ্ডো - মঙ্গোলীয় জনগোষ্ঠীৰ লোক ।

প্ৰশ্ন ২। হাজং সকলক পাৰ্বত্য স্বায়ত্তশাসিত জিলাৰবাৰত কেতিয়া অনুসূচীত জনজাতি হিচাপে স্বীকৃতি দিছিল ?

উত্তৰঃ হাজং সকলক পাৰ্বত্য স্বায়ত্তশাসিত জিলাৰবাৰত ১৯৫০ চনত অনুসূচীত জনজাতি হিচাপে স্বীকৃতি দিছিল ।

প্ৰশ্ন ৩। বৰ্তমান হাজংসকল অসমৰ প্ৰধানতঃ কোন কোন জিলাত বাস কৰি আছে ?

উত্তৰঃ বৰ্তমান হাজংসকল প্ৰধানকৈ বৰ্তমান অসমৰ গোৱালপাৰা , ধুবুৰী , কামৰূপ , বাস্কা , ওদালগুৰি , চিৰাং , দৰং , লক্ষীমপুৰ , ধেমাজি , নগাঁও আদি জিলাত বাস কৰি আছে ।

প্ৰশ্ন ৪। হাজংসকলৰ মূল জীৱিকা কি ?

উত্তৰঃ হাজং সকলৰ মূল জীৱিকা হ'ল-কৃষি ।

প্ৰশ্ন ৫। 'বাস্তুদেও পূজা ' কেতিয়া অনুষ্ঠিত কৰে ?

উত্তৰঃ 'বাস্তুদেও পূজা' বহাগ মাহত অনুষ্ঠিত কৰে ।

প্ৰশ্ন ৬। হাজং সমাজত কাছৰি ঘৰৰ তাৎপৰ্য কি ?

উত্তৰঃ হাজংসকলে এখন চোতালৰাথি চাৰিওকাষে বিভিন্ন নাম দি ঘৰ সজায়।আগচোতালত সজোৱা ঘৰটোৰ নাম কাছৰি ঘৰ । কাঘূৰি ঘৰ বাটচ'ৰা বুলি ক'ব পাৰি যদিও আচলতে হাজং সকলৰ ই ডেকাচাং আছিল । এসময়ত গাঁৱৰ মুৰব্বী বা প্ৰতিপত্তিশীল ব্যক্তিৰ হাউলিতহে কাছুৰি ঘৰ আছিল । কাছৰি ঘৰত গাঁৱৰ অবিবাহিত ডেকাসকলহে নিশা শুইছিল । গাঁৱলৈ পুৰুষ আলহী - অতিথি আঁহিলেও এই কছাৰী ঘৰতহে ৰাতি থাকিবলৈ দিয়া হৈছিল ।